চানদমামা

মার্চ ১৯৯৭



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

जिनके सपने बड़े हों, उनकी जीन्स कभी छोटी नहीं पड़नी चाहिये.



जब आपके जूनियर के सपने बड़े हैं, तो उसकी जीन्स छोटी क्यूं पड़े ? पेश हैं रफ़ एण्ड टफ़ जूनियर. यानी अरविंद का मज़बूत डेनिम कपड़ा (132 सें.मी. तक के कद के लिये), लेबल और रिवेट्स. उसकी लंबाई के हिसाब से गुंजाइश छोड़कर जीन्स सिलवाइये, फिर देखिये उसके सपनों की उड़ान !

Trikaya Grey AML 6.96 HIN

RUF AND TUF™

A QUALITY PRODUCT FROM ARVIND MILLS

JUNIOR

सिलाई-के-लिये-तैयार जीन्स

চান্দমামা

মার্চ : ১৯৯৭

এই সংখ্যাত আছে

ধেমালিৰ নামত অত্যাচার	...৭
আৰৱ এমিৰেটছ	...৯
আলহীক কি কি লাগে	...১০
মানুহ কিয় স্বতন্ত্ৰীয়া	...১৬
সম্ৰাট অশোক	...১৭
সুন্দ-উপসুন্দ	...২৫
সাগৰৰ পাৰে পাৰে	...৩৩
ৰাক্ষসে শিকালে ধৰম	...৩৭
সোণালী দুৱাৰ	...৪১
মহাভাৰত	...৪৫
ভুকনিৰ দাম	...৫২
চান্দমামা ক্ৰোড়পত্ৰ	...৫৩
চান্দমামাৰ চিংফৌ নাঙল	...৫৬
শেষ ইচ্ছা	...৫৭
সন্ধিৰ বাঁহ	...৬১
ফোটো-নামকৰণ	...৬৬

খনে : ৬.০০ টকা

বছৰি : ৭২.০০ টকা

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ଦୋଳ ମହୋତ୍ସବର ଉପହାର : ମାର୍ଚ୍ଚ ସଂଖ୍ୟା

ମୁଖ୍ୟ ପ୍ରସଂଗ : ସୌଖୀନ ନାଟ୍ୟ ଆନ୍ଦୋଳନର ଭାଗ୍ୟ ଓ ଭବିଷ୍ୟତ, ଧାରାବାହିକ ଉପନ୍ୟାସ : ମନୋଜ ଦାସଙ୍କ 'ଆକାଶର ଇସାରା', ଏକାନ୍ତ ପଲ୍ଲୀ : ପରଦା କଳାର ଗାଁ, ଅସ୍ତରାଗ : ମହୁରୀ ରାଜବଂଶର ଯୁବରାଜ-ଯୁବରାଣୀ, ଶ୍ରଦ୍ଧାଞ୍ଜଳି : କବି କୃଷ୍ଣ ଚନ୍ଦ୍ର ତ୍ରିପାଠୀ, ସାଂସ୍କୃତିକୀ : ବିଶିପଡାର ରାମଲୀଳା, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗରେ ଓଡିଶାର ସୌଖୀନ ନାଟ୍ୟ ସଂସ୍ଥାର ସ୍ଥିତି ଓ ନିୟତି ଠାରୁ ରଂଗୀନ ଦ୍ୱିପତ୍ର : ଜୀବନ ଯେମିତି ଯାଏ ବହୁ ବିଚିତ୍ର ବର୍ଣ୍ଣବିଭା ।

୮୪ ପୃଷ୍ଠାର ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8.(Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	MONTHLY Ist of each calender month
3. Printer's Name	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	B.VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	B.NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. Sri B.V. NARESH REDDY 3. Sri B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum. B.L. ARCHANA 9. Kum. B.L. ARADHANA 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

1st March 1997

B. VISWANATHA REDDI
Signature of the Publisher

চান্দমামা

সংস্থাপক : চক্রপাণি ✱ সঞ্চালক : নাগিৰেড্ডি

ধেমালিৰ নামত অত্যাচাৰ বন্ধ হওক

'পৰীক্ষা' শব্দটো সৰহভাগ ছাত্ৰৰ ক্ষেত্ৰত এক আলি-আন্ধাৰি লগাহেন কথা। কিন্তু তাতোকৈ পদাপাল দেখা শব্দ এটি আছে, সেই শব্দটি হ'ল 'ৰ্যাগিং'। এসময়ত যিটি শব্দ আছিল নিজনি-নিৰমল ধেমেলীয়া শব্দ, এতিয়া সেই 'ধেমেলীয়া শব্দটিয়েই এছলীয়া-এমলীয়া ভীতি-ঘৃণাব্যঞ্জক শব্দ হৈ উঠিছে।

এসময়ত কলেজত নতুন নাম লগোৱা অৰ্থাৎ সদ্যে ভৰ্তি হোৱা ছাত্ৰক 'ছিনিয়াৰ' ছাত্ৰহঁতে নানান ধৰণে জোকাইছিল, আৰু প্ৰকাৰান্তৰে নতুন ছাত্ৰৰ ধৈৰ্য্য-সহ্যৰ 'পৰীক্ষা' লৈছিল ; কিন্তু তেতিয়াৰ ৰ্যাগিঙত কোনো অতিচাৰ-অত্যাচাৰ নাছিল, আছিল বিশুদ্ধ ধেমালি। তেতিয়াৰ ৰ্যাগিঙৰ ৰেহৰূপ কেনেকুৱা আছিল নো ? যেনে — ভালকৈ ইস্ত্ৰি কৰা চোলা-প্যাণ্ট পিন্ধা ছাত্ৰটি আওমনা হ'লেই এবাল্টি পানীৰে তিয়াই দিয়া, বা মাজনিশা বিয়ানাম গাবলৈ, নাচিবলৈ বাধ্য কৰা, তিৰোতাৰ সাজ পিন্ধিবলৈ বাধ্য কৰা ইত্যাদি ইত্যাদি হাঁহি-উঠা কাণ্ড-কাৰ্ষনাৰেই ৰ্যাগিঙৰ অন্ত পৰিছিল আৰু এইবোৰ 'পৰীক্ষা'ত উত্তীৰ্ণ হোৱা 'ফ্ৰেশ্বাৰ'ক আদৰি লোৱা হৈছিল।

এতিয়া ক্ৰমাত ৰ্যাগিঙৰ ৰেহৰূপ বীভছ হৈ উঠিছে। ৰ্যাগিঙৰ কবলত পৰি নৱাগন্তুক ছাত্ৰহঁতৰ কলিজা কঁপিছে, দিনে-পোহৰে এন্ধাৰ দেখা হৈছে, কেতিয়াবা বিদ্যাৰ্জনৰ কথা ধোঁৱাচাঙত তুলি থৈ যঃ পলায়তি সঃ জীৱতিকৈ ফেঁটীৰ মূৰ ছিঙা লৰ দি কলেজৰ চৌহদ এৰি পলাই ফাট মাৰিবলৈকো বাধ্য হৈছে, আনকি ৰ্যাগিঙৰ ভয়াবহতাই ইমান দূৰ পাইছেগৈ যে আত্মহত্যা আৰু হত্যাকাণ্ডও সংঘটিত হৈছে, যাৰ ফলত সদ্যহতে তামিলনাডু চৰকাৰে কঠোৰভাবে আইন প্ৰণয়ন কৰি ৰ্যাগিঙক পুলিয়ে-পোখাই উভালিবলৈ সাজু হ'বলগীয়া হৈছে। ৰ্যাগিং-ৰাক্ষসক সমূলঞ্চে দমন কৰাৰ বাবে এতিয়া কঠোৰতম আইন প্ৰণয়ন কৰিবলৈ সৰ্বভাৰতীয় দাবীও উত্থাপিত হৈছে।

কিছুমান 'ছাত্ৰ'-নামধাৰী ন্যায়-নীতি-বিৰোধী তথাকথিত 'ছাত্ৰ'ৰ অমাৰ্জনীয় আচৰণৰ ফলত সকলো ছাত্ৰয়েই অযথা আপবাদৰ সম্মুখীন হ'বলগীয়া হৈছে।

এতেকে কেৱল আইন-প্ৰণয়নেই যথেষ্ট নহয়, এই ঘৃণ্য প্ৰথাৰ উচ্ছেদৰ বাবে ভাৰতৰ তথা পৃথিৱীৰ সমগ্ৰ ছাত্ৰ সমাজ আগুৱাই আহক — সদৌ ছাত্ৰ সমাজৰ ওচৰত এয়ে আমাৰ আন্তৰিক আবেদন।

বছৰ : ২১ মাৰ্চ ১৯৯৭ সংখ্যা : ১২

খনে : ৬.০০ টকা : বছৰেকীয়া বৰঙনি : ৭২.০০ টকা মাথোন।

प्रिमियर कैमरा



- 35 MM Compact Camera
- 36 रंगीन एवं ब्लैक एण्ड व्हाइट फोटो देनेवाला
- फ्लैश-अटैचमेंट सिस्टम
- उपहार के लिये श्रेष्ठ

कीमत में भारी छूट 750/- रु. वाला अब केवल 450/- रु. में उपलब्ध। डाक-खर्च 30/- रु.।

पसंद न आने पर कीमत वापस।

007 टॉय रिवालवर

बिल्कुल नई तकनिक

लाइसेंस आवश्यक नहीं

जानवरों, पक्षियों एवं चोरों से अपनी आत्म-रक्षा हेतु तथा नाटक, पिकनिक आदि के लिये 7 राउन्ड ऑटोमैटिक रिवॉल्वर। कीमत 200 रु. डाक खर्च 30/- रु.

100 बुलेट एवं स्पेशल वेल्ट-केश मुफ्त

नापसंद आने पर कीमत वापस

दोनों सामान एक साथ मंगाने पर डाक खर्च मुफ्त

VIVEK TRADERS (CV)

P.O. MAIRA BARITH (GAYA)

পৃথিৱীৰ খিৰিকীৰে

ইউনাইটেড আৰব এমিৰেটছ

ভাৰতৰ বুৰঞ্জী পঢ়োঁতাসকলে এই দেশৰ ঈশান-কোণীয়া সপ্তৰাজ্যৰ কথা নজনা নহয়। ঠিক তেনেকৈয়েই সিন্ধু-শাখা-পৰিসৰতো সাতখন দেশ আছে, যি-সপ্তদেশক 'ছেভ্‌ন্ ছিষ্টাৰ্চ' বুলি কোৱা হৈছিল, আৰু বৰ্তমানকালত ইউনাইটেড আৰব এমিৰেটছ (ইউ.এ.ই.) অৰ্থাৎ সংযুক্ত আমীৰশ্বাহী বুলি কোৱা হয়। এই সাতখন দেশ ৰাছল খায়মা, উমাল খায়ৱান, অজমান, শ্বাৰজা, দুবাই, আবুধাভী, পুজায়ৰা — উত্তৰৰ পৰা দক্ষিণলৈ বিয়পি আছে। যোৱা ডিছেমবাৰৰ ২ তাৰিখে ইউনাইটেড আৰব এমিৰেটছে তেওঁলোকৰ সংযুক্তিৰ ৰজত-জয়ন্তী উৎসৱ পালন কৰা হ'ল।

এশ পঞ্চাছ বছৰৰ আগতে এই দেশসমূহ 'টুছিয়ল স্টেটছ' নামেৰে জনাজাত আছিল। ১৮২০ চনৰ প্ৰাৰম্ভত বৃটিছ-কৰ্তৃপক্ষৰ সৈতে এক চুক্তিৰ ফলত এই নাম। এই চুক্তিৰ ফলত বৃটিছে এইবোৰ দেশত সৈন্যবাহিনী মোতায়েনৰ সুবিধা পোৱা হৈছিল। আবুধাভীৰ শ্বেখ জায়িদ খলিফা-আল্-নাইয়ানে সুদীৰ্ঘকাললৈ (১৮৫৫-১৯০৯) দেশৰ শাসন-দায়িত্ব চম্ভালিছিল। এমিৰেটছৰ বৰ্তমান শাসকৰ ভাতৃ শ্বেখ জাঈদ ১৯২৮ চনত সিংহাসনত অধিষ্ঠিত হৈছিল। তেওঁৰ ভাতৃ শ্বেখ জায়িদে ধৰ্মগুৰুৰপৰা বিদ্যালাভ কৰাৰ অন্তত বিস্তৃতভাৱে মৰু-দেশ পৰিভ্ৰমণ কৰোঁতে এক বৃটিছ সন্থাই মৰুভূমিত মাটি-তেলৰ নাদ খন্দা দেখা পাইছিল আৰু বাৰুকৈ উপলব্ধি কৰিছিল যে এই তেলেৰেই মৰুভূমিক মৰুদ্যান কৰিব তুলিব পাৰি, আৰব দেশসমূহৰ ভৱিষ্যৎ উজ্জ্বল কৰিব পাৰি।

এইবাৰ তেওঁ আৰবৰ প্ৰজাৰ উন্নতিৰ অৰ্থে তেলৰপৰা পোৱা বিপুল ধনৰ সদ্ব্যৱহাৰ কৰা হ'ল। এই কালছোৱাতে বৃটিছেও তেওঁলোকৰ সৈন্যবাহিনী সেই দেশৰপৰা প্ৰত্যাহাৰৰ প্ৰস্তাৱ কৰিলে। শ্বেখ জাঈদে আন ছখন দেশৰ নেতৃবৰ্গৰ সৈতে স্বয়ং সাক্ষাৎ কৰিলে আৰু সাতখন দেশৰ এক সংযুক্তফেডাৰেশ্যানৰ প্ৰস্তাৱ দাঙি সাতোখন দেশৰ নেতৃবৰ্গৰ আগত ধৰিলে।

১৯৭১ চনৰ ১৮ জুলাইৰ দিনা। সাতখন দেশ সংযুক্ত হৈ ইউনাইটেড 'আৰব এমিৰেটছ' গঠনৰ ঐতিহাসিক আঁচনি লোৱা হ'ল, আৰু চাৰি মাহৰ অন্তত, ডিছেমবাৰৰ ২ তাৰিখে এই সংযুক্তি সুসম্পন্ন হ'ল।

আবুধাভীৰ শ্বেখ জায়িদ-বিন-ছুলতানক ইউনাইটেড আৰব এমিৰেটছৰ ৰাষ্ট্ৰপতি পতা হৈছিল, আৰু তেতিয়াৰপৰা, প্ৰতি পাঁচ বছৰৰ বাদে বাদে তেওঁকেই পুনঃনিৰ্বাচিত কৰা হৈছে।



ফেডাৰেশ্যানলৈ ৰূপান্তৰিত হোৱাৰ পাছৰেপৰাই সাতোখন দেশেই দ্ৰুতগতিৰে উন্নতিৰ পথলৈ আগবাঢ়িছে। উদাহৰণস্বৰূপে উনুকিয়াব পাৰি যে১৯৭১ চনত যিস্থলত মাত্ৰ ১৪৭ খন পঢ়াশালি আছিল, কোনো কলেজ বা বিশ্ববিদ্যালয় নাছিল, সিস্থলত এতিয়া ৯৯০-তকৈ অধিক পঢ়াশালি আৰু এমিৰেটছ বিশ্ববিদ্যালয় স্থাপিত হৈছে। এই বিশ্ববিদ্যালয়ত বছৰি প্ৰায় পোন্ধৰ হেজাৰ বিদ্যাৰ্থীয়ে বিদ্যালাভ কৰি আছে। উল্লেখযোগ্য কথা, এই বিশ্ববিদ্যালয়ত অধ্যয়নকাৰী ভালেমান বিদেশীও বিদ্যমান। এতিয়া আৰব এমিৰেটছৰ শতকৰা ৮৪ জন শিক্ষিত। মধ্যপ্ৰাচ্যৰ দেশসমূহৰ মাজত ইউ.এ.ই.-ৰ শিশুসকল বিশেষ স্বাস্থ্যৱান—এই কথা ১৯৯৬ চনত ইউনিছেফ-প্ৰকাশিত পত্ৰিবেদনত কোৱা হৈছে।



আলহীক কি কি লাগে

ক্ষেত্ৰীগাঁৱৰ ক্ষেত্ৰদত্ত আছিল ভাগ্যশীল ব্যক্তি। তেওঁৰ অতিথি-পৰায়ণতাৰ শলাগ নোলোৱা মানুহ দহোখন গাঁৱতো বিচাৰি পাবলৈ নাই। কিন্তু এদিন গোপাল নামৰ মানুহ এজনে যেতিয়া কথাই কথাই ক'লে যে শ্ৰীপুৰ গাঁৱৰ ৰংগনাথ ডাঙৰীয়াৰ আলহী আদৰাৰ কোনো তুলনা নাহ, তেতিয়া ক্ষেত্ৰদত্ত ডাঙৰীয়াই কিঞ্চিত বেজাৰ পালে। কিয়নো তেওঁ ভাবিছিল যে তেওঁৰমান আলহী-অতিথি-সৎকাৰকাৰী দহোকুৰি গাঁৱতো নোলাব।

ক্ষেত্ৰদত্তই গোপালক সুধিলে, "কোননো সেই ৰংগনাথ ডাঙৰীয়া? কিনো তেওঁৰ অতিথি-পৰায়ণতাৰ বিশেষত্ব?"

গোপালে ক'লে, "তেওঁৰ বিশেষত্ব শুনি বুজি নাপাব, আপুনি নিজেই তালৈ গৈ চাব লাগিব।"

পাছদিনাই ক্ষেত্ৰদত্ত ডাঙৰীয়া শ্ৰীপুৰ গাঁৱলৈ বুলি ওলাল, আৰু গৈ গৈ ৰংগনাথৰ ঘৰ পালেগৈ।

ৰংগনাথৰ ঘৰটোলৈ চাই আচিৰত হৈ তেওঁ ভাবিলে : এই সামান্য এক খাপৰিৰ ঘৰতো মোতোকৈ ডাঙৰ অতিথি-পৰায়ণ মানুহ এজন থাকিব পাৰেনে ? দেখা কথা—এওঁ আঢ্যৱন্ত নহয়, অতি সাধাৰণ অৱস্থাৰ গৃহস্থ। তেনেস্থলত —

এইবোৰ-এনেবোৰ ভাবি থাকোঁতেই ৰংগনাথ ঘৰৰপৰা ওলাই আহিল আৰু ক্ষেত্ৰদত্তক সুধিলে যে তেওঁ ক'ৰপৰা আহিছে, আৰু কি লাগে তেওঁক।

সাৰদা শইকীয়া

ক্ষেত্ৰদত্তই নিজক হীৰাৰ বেপাৰী বুলি চিনাকি দিয়াত ৰংগনাথে ক'লে, "হীৰা বেচিবলৈ হ'লে ছয়গাঁৱৰ শিৰশম্ভুদেউৰ ওচৰলৈ যোৱা ভাল। হীৰাৰ মোল বুজা মানুহ সেই এগৰাকীয়েই আছে।"

ক্ষেত্ৰদত্তই ৰংগনাথক সুধিলে, "আজিৰ দিনটোৰ কাৰণে যদি আপোনাৰ ঘৰত আলহী হওঁ কিবা অসুবিধা পাবনে?"

"মহাশয়, আমাৰ ঘৰ-দুৱাৰ দেখিছেই, আমাৰ পাৰিবাৰিক অৱস্থাও এনেকুৱাই। আপোনাৰমান ডাঙৰ লোক এগৰাকীক যথাযথভাৱে সোধ-পোছ কৰাৰ সাধ্য আমাত নহ'ব যেন পাওঁ।" ৰংগনাথে কওঁ-নকওঁকৈ ক'লে।

"তথাপি মই আপোনাৰ ঘৰতে আজিৰ দিনটো জিৰণি ল'ম বুলি ভাবিছোঁ। অৱশ্যেআপোনাৰ যদি কিবা কাৰণত অসুবিধা — মই শ্ৰীপুৰৰ শিৰশম্ভুদেউৰ ঘৰলৈকো যাব পাৰোঁ।" ক্ষেত্ৰদত্তই ক'লে।

তেতিয়া কিঞ্চিত দ্বিধান্বিত ৰংগনাথে ক্ষেত্ৰদত্তক ঘৰৰ ভিতৰলৈ আদৰি লৈ গ'ল, আৰু হাত-ভৰি ধুবলৈ পানী দিলে, নতুন গামোছা দিলে, আৰু তাৰ পাছত এখন চকিত আথেবেথে বহুৱালে।

খোৱা-বোৱাৰ অন্তত ক্ষেত্ৰদত্তই শ্ৰীপুৰৰ শিৰশম্ভুদেউৰ ঘৰলৈ যাব বুলি কোৱাত ৰংগনাথে ক্ষেত্ৰদত্তক ক'লে, "আপুনি দেখোন অথনি আমাৰ ঘৰতে থাকিব বুলি কৈছিল, মত সলালে কিয়? যদিও আপোনাৰমান লোক এগৰাকীক





যথাযথভাবে সোধাৰ ক্ষমতা আমাৰ নাই—তথাপি আজিৰ দিনটো আমাৰ ঘৰতে থাকক—কালিলৈ আপোনাৰ য'লেকে মন যায় যাব পাৰিব।"

ক্ষেত্ৰদত্তই মনতে ভাবি থাকিল : ৰংগনাথৰ আলহী-সোধন সাধাৰণৰো সাধাৰণ। এওঁলোকে যি সাধাৰণ খাদ্য খায় সেই একেই বস্তু আলহীকো খুৱায়। অথচ মই আলহীসকলক সোৱাদৰো সোৱাদ খোৱাবস্তু খুৱাওঁ। তথাপি যে গোপালে এই ডাল-দৰিদ্ৰ ৰংগনাথৰ অতিথি-পৰায়ণতাৰ ইমানকৈ শলাগ ল'লে কিয় — দুৰ্বোধ্য।

ৰংগনাথৰ ল'ৰা-ছোৱালীহঁতে, পৰিবাৰে আৰু ৰংগনাথৰ ভায়েক তুংগনাথেও ক্ষেত্ৰদত্তক তেওঁলোকৰ গাঁও ক্ষেত্ৰপুৰৰ কথা ক'বলৈ অনুৰোধ কৰাত ক্ষেত্ৰদত্তই যিখিনি ক'লে, বৰ মনপুতি সকলোটিয়েই শুনিলে। ইমান মনপুতি তেওঁৰ কথা শুনা—আগতে কেতিয়াবা কোনোবাই শুনিছিল বুলি তেওঁৰ মনত নপৰিল। যিহওক-তেওঁৰ কথাখিনি আটাইকেইজনেই শ্ৰদ্ধাৰে শুনাত ক্ষেত্ৰদত্তই বৰ ভাল পালে।

এওঁলোকে ক্ষেত্ৰদত্তৰ সাংগীতিক জ্ঞানৰ কথা শুনি তেওঁৰপৰা গীত-মাত শুনিবলৈ তেওঁক টানি ধৰিলে, আৰু তেৰোঁ ইমান সৰল অনুৰোধ দলিয়াই পেলাব নোৱাৰি কেইটিমান গীত গালে, কিছুমান শাস্ত্ৰ-শ্লোকও গাই শুনালে।

আৰু হঠাৎ ক্ষেত্ৰদত্তৰ মনত এষাৰ কথাই মূৰ দাঙি উঠিল : আলহী-আপ্যায়ন মানেকেৱল পেট পূৰাই খুওৱায়েই নহয়, আলহীৰ মনত প্ৰসন্নতাৰ সৃষ্টি কৰিবলৈ আলহীৰ বিভিন্ন গুণৰ কথা জানি লৈ তেওঁৰ সেইবোৰ গুণৰ প্ৰকাশ কৰোৱাব লাগিব, আৰু শলাগো ল'ব লাগিব।

এইবাৰ ক্ষেত্ৰদত্ত ডাঙৰীয়ায়ো ৰংগনাথৰ পৰিবাৰ-পৰিজন সকলৰপৰাও গীত-মাত শুনিলে, কবিতা শুনিলে, ল'ৰা-ছোৱালীহালে মাটিৰে সজা পুতলা দেখিলে, তুংগনাথে আঁকা চিত্ৰ চাই মনত বাৰুখিনি তৰধেই মানিলে।

ৰাতিৰ আহাৰ বাবে ৰংগনাথৰ পৰিবাৰে আলহীৰ মনেখোৱা আঞ্জা ৰান্ধিলে, আৰু ক্ষেত্ৰদত্ত ডাঙৰীয়ায়ো বৰ জুতি লগাই তৃপ্তিৰে আহাৰ কৰিলে। তাৰ পাছত সকলোটিয়ে মিলি গল্প কৰি থাকিল, আৰু কিছু সময়ৰ পাছত আলহীক শোৱা-কোঠালৈ লৈ গ'ল।

শোৱাৰ বন্দৱস্ত বৰ পাৰিপাটীকৈ কৰা হৈছিল, চাই ক্ষেত্ৰদত্তই ভাল পালে। তেতিয়া ৰংগনাথে আলহীক সুধিলে, "আপোনাৰ যদি কিবা অপূৰ্ণ ইচ্ছা আছে — কওক, সেই ইচ্ছা পূৰাম।"

ক্ষেত্ৰদত্তই এই কথাত আমনি পাই ভুৰু কোঁচাই ক'লে, "কিনো বেৰেৰিবাং কৈছে? এই কথাৰ কিবা অৰ্থ আছেনে? ধৰক — মই ক'লোঁ যে মই দেৱলোকলৈ গৈ অপেশ্বৰীহঁতৰ নৃত্য চাম। আপুনি পুৰাবনে? গতিকেএনেবোৰ কথা ক'ব নাপায়।"

ৰংগনাথে শান্ত কণ্ঠেৰে ক'লে, "আপুনি বিশ্ৰাম কৰক, আপোনাৰ এই ইচ্ছা নিশ্চয়েই পূৰিব।"

আলহীৰ শোৱাকোঠাৰ দুৱাৰ জপাই ৰংগনাথ গুচি গ'ল, আৰু লগে লগে ভাগৰ লগা ক্ষেত্ৰদত্তয়ো গভীৰ টোপনিত লাল-কাল দিয়া হ'ল।

আৰু লগে লগেই ক্ষেত্ৰদত্তই সপোনত দেৱলোকলৈ গ'ল, তাত নৃত্যৰতা অপ্সৰীৰ মনোমোহা নৃত্যও চাই থাকিল।



ৰাতিপুৱা সাৰ পাই তেওঁৰ মনৰ ইচ্ছা আচৰিতভাৱে পূৰ হোৱাৰ কথা ভাবি অবাক হৈ পৰা ক্ষেত্ৰদত্তই এই বিষয়ে ৰংগনাথক সুধিলে যে এইবোৰ সপোনত হ'লেও আখৰে আখৰে দিঠক হোৱা কেনেকৈনো সম্ভৱ হ'ল ?

তদুত্তৰে ৰংগনাথে ক'লে, "সেয়া সপোন নাছিল, আছিল আচলতে দিঠকেই। আপুনি প্ৰকৃততেই সাময়িকভাৱে দেৱলোক পাইছিলগৈ।"

শুনি হতবাক হৈ পৰা ক্ষেত্ৰদত্ত ডাঙৰীয়াক ৰংগনাথে যি-কাহিনী ক'লে, তাৰ সৰ্বমুঠ সাৰ-কথা হ'ল এয়ে যে :

এবাৰ ৰংগনাথৰ ঘৰলৈ এগৰাকী সজ্জন-সাধু আলহী আহিছিল, আৰু ৰংগনাথৰ সেৱা-সৎকাৰত পৰিতৃপ্ত হৈ সেই সাধুগৰাকীয়ে ৰংগনাথক কৈছিল, "পুত্ৰ, মোৰ কিছু তপোশক্তিআছে। মোৰ ইচ্ছা, মোৰ তপোশক্তিৰ একাংশ কোনোবা যোগ্য উত্তম লোকক প্ৰদান কৰিম। আজি মই সেই উত্তম লোকক বিচাৰি পালোঁ। মই তোমাক মোৰ তপোশক্তিৰ এভাগ প্ৰদান কৰিম, যি তপোশক্তিষে তুমি দিনৌ এটিকৈ ইচ্ছা পূৰাব পাৰিবা।"

ৰংগনাথে তপস্বী সাধুৰ কথাত ভাল নাপালে, আৰু তেওঁক ক'লে, 'হে মহাত্মা, মোৰ দৰে নিঃকিনৰ ঘৰত আপোনাক আলহীৰূপে পোৱাটো বৰ সৌভাগ্যৰ কথা। কিন্তু আপোনাৰ এই বৰ অতি বিপদজনক। কিয়নো মনত কেৱল সদিচ্ছায়েই মূৰ দাঙি নুঠে, অসৎ ইচ্ছায়ো মূৰ দাঙিব পাৰে। এইবিধৰ তপোশক্তিলাভ আমাৰ দৰে সাধাৰণ মানুহৰ যোগ্য নহয় বুলি মোৰ ধাৰণা।"

আলহী সাধু তপস্বীয়ে ক'লে, তেনেহ'লে তোমাক কি বৰ লাগে কোৱাঁ। তোমাৰ ঘৰত প্ৰতিদিন এশকৈ সোণৰ মোহৰ পোৱাৰ বৰ ল'বানে ?'

"হে মহাত্মা, ইমান সোণৰ মোহৰেৰে মই কিনো কৰিম ? স্বাভাৱিকভাৱে যিখিনি পাই আছোঁ, তাৰেই মই তুষ্ট। তাতকৈ

অধিক মোক নালাগে আৰু পালেত মই জলওঁ। কিয়নো — অধিক থকাৰ অৰ্থ হ'ল অধিক জা-জঞ্জাল। কিয়নো মই যোই জা-জঞ্জালৰ গৰাকী হ'ম ?"

ৰংগনাথৰ কথাৰ উত্তৰত তপস্বীয়ে তেতিয়া ৰংগনাথক বিৰাট অট্টালিকা আৰু অন্যান্য সা-সম্পদৰ গৰাকী কৰি দিব বুলি প্ৰস্তাৱ কৰাত ৰংগনাথে ক'লে, "তেতিয়া মোৰ শ্ৰমৰ ফলৰপৰা মই বঞ্চিত হ'ম, আৰু আঢ্যৱন্ত হৈ ধনত শিতান দি শুই থাকি মই কিজানি আলহীক আদৰিবলৈকো পাহৰি থাকিম। অধিক ভোগেই মোক অদাত্য-পাতক কৰি তুলিব পাৰে। তাতকৈ-মোক যদি দিবই — এই বৰকে দিয়ক যে মই যেন মোৰ মান্যমান আলহীসকলৰ মনক সন্তৃপ্ত কৰিবলৈ তেওঁলোকৰ মনৰ যেইকোনো প্ৰকৃত সজ ইচ্ছা পূৰাব পাৰোঁ, তুষ্টি-বিধান কৰিব পাৰোঁ।"

আলহী তপস্বীয়ে ৰংগনাথৰ মনৰ ইচ্ছাৰ কথা এইবাৰ ফটফটীয়াকৈ ঠাৱৰ কৰিব পৰিলে। এইবাৰ তেওঁ বুজি পালে যে সৎ মানুহ ৰংগনাথক কি লাগে।

তপস্বীয়ে ৰংগনাথক ক'লে, "শুনা, যিজন নিজেই তোমাৰ ঘৰলৈ আলহী ৰূপে আহিব, যিজন আলহীয়ে তোমাৰ ঘৰত এৰাতিৰ বাবে হ'লেও নিজেই থাকিব, সেইজন আলহীৰ ক্ষেত্ৰত তেওঁৰ মনৰ যিকোনো ইচ্ছাৰ পূৰণ তুমি ছেলাৰঙে কৰিব পাৰিবা—এই বৰ মই তোমাত প্ৰদান কৰিলোঁ।"

সেই দিনৰপৰা ৰংগনাথে সেই মহান তপস্বীয়ে প্ৰদান কৰা অভাৱিত-আশ্চৰ্য্য তপোশক্তিৰে আলহীসকলৰ মনৰ সৰ্ববিধৰ সজ ইচ্ছা পূৰাই তেওঁলোকক পৰিতুষ্ট কৰিব পৰা হ'ল।

এই কাহিনী শুনাৰ অন্তত ক্ষেত্ৰদত্ত ডাঙৰীয়াই কেৱল তপোশক্তিৰে শক্তিমান হোৱাৰ বাবেই নহয়, আত্মস্বাৰ্থক পৰিহৰি নিৰ্লোভতাৰ আৰ্হিস্বৰূপ হৈ পৰা ৰংগনাথৰ প্ৰতি অপাৰ-অপৰিমেয় আন্তৰিক শ্ৰদ্ধাত মূৰ দোঁৱাইছিল, আৰু প্ৰকৃত অতিথি-পৰায়ণতাৰ শিক্ষা গ্ৰহণ কৰি আগলৈ ৰংগনাথৰ খোজেৰে খোজ লৈ ৰাইজৰ প্ৰকৃত মৰম-শ্ৰদ্ধা আৰ্জিছিল।

মানুহ কিয় স্বতন্ত্ৰীয়া

সদ্যহতে নাৰায়ণ কাশীৰপৰা উভতি আহিল, আৰু আহিয়েই গাঁৱৰ নামঘৰৰ পিৰালিত বহি সমূহ ৰাইজক কাশীৰ বা-বিবৰণ ক'বলৈ ধৰিলে। প্ৰায় ভাগ কথা কোৱাৰ অন্তত নাৰায়ণে মন্তব্য কৰিলে, "কাশীত মই দুজন পেঙুৱাক প্ৰচুৰভাৱে সহায় কৰিলোঁ। আনকি ঢেৰ ধনো দিলোঁ। তাৰ পাছত যেতিয়া মই কাশীৰপৰা উভতি খোজ ল'লোঁ, ওভোতা-বাটত প্ৰথমে দ্বিতীয়জন পেঙুৱাক দেখা পালোঁ। দেখা পালোঁ যে সি তাত এখন আশ্ৰম পাতিছে, আৰু সি মালা পিন্ধি, গাত ভস্ম সানি, কমণ্ডলু হাতত লৈ সাধুৰ ভেশ লৈছে। মোক সি দেখিও নেদেখা, চিনিও নিচিনা হ'ল। তাৰ কিছুমান শিষ্যই তাৰ অলৌকিক শক্তিৰ ভৰপূৰ প্ৰশংসা কৰাৰ অন্তত মোকো তাৰ শিষ্যত্ব ল'বলৈ ক'লে। সি তেতিয়া তাৰ শিষ্যহঁতৰপৰা টকা-সিকা উফুল কৰাত ব্যস্ত হৈ আছিল।

কিছু দূৰ আগবাঢ়ি অহাৰ অন্তত মই দ্বিতীয়জন পেঙুৱাক দেখা পালোঁ। সি মোক দেখা পায়েই মোৰ কাষ চাপিল, আৰু মোৰ প্ৰতি যথোচিত ভক্তি-শ্ৰদ্ধা দেখুৱালে। দুজন পেঙুৱাৰ মাজত ইমান প্ৰকৃতিগত বৈষম্য, ইমান বেলেগ বেলেগ আচৰণলৈ চাই মই আচৰিতেই মানিছিলোঁ।"

তাত উপস্থিত থকা গাঁওবুঢ়াই ক'লে, "নাৰায়ণ, তুমি যদি কুকুৰ এটাক খাবলৈ দিয়া, তোমাক সি নাপাহৰিব, আৰু তোমাক তাৰ সাধ্যমতে সেৱা কৰিব। কিন্তু যদি তুমি এজনী মেকুৰীক গাখীৰ খাবলৈ দিয়া, মেকুৰীজনীয়ে পাছ মুহূৰ্তৰেপৰাই তোমাক পাহৰি থাকিব। কুকুৰটোৱে তোমাকেই তাৰ ভগৱন্ত বুলি মানিব, কিন্তু মেকুৰীয়ে নিজকহে নিজৰ ভগৱন্ত বুলি জানিব। কাশীৰ প্ৰথমজন পেঙুৱাই তোমাক ভগৱন্ত দেখা দি দেখিছিল, সি আছিল কুকুৰৰ দৰে বিশ্বস্ত ; আৰু দ্বিতীয়টো পেঙুৱা আছিল মেকুৰী-স্বভাৱৰ। মানুহৰ মাজতো জন্তু প্ৰকৃতি নথকা নহয়, আৰু দৰাচলতে মানুহো এবিধ জন্তুয়েই। পিছে—মানুহ নামৰ জন্তুত চিন্তাশক্তি থকাৰ বাবেহে অন্যান্য প্ৰাণীৰ মাজতো মানুহ হ'ল স্বতন্ত্ৰীয়া।





সম্ৰাট অশোক

মগধ সাম্ৰাজ্যৰ ৰাজধানী আছিল যাক বোলে — 'ৰংঘৰ ৰংপুৰ গছে-বনে ভৰপূৰ'এক অপূৰ্ব সৌন্দৰ্যমণ্ডিত ফুলে ফুলে জাতিস্কাৰ হৈ পৰা কেওফালে ফুলাম ফুলৰ ম-ম কৰে সৌগন্ধেৰে আমোদিত নগৰখন। মগধৰ প্ৰজাবৰ্গও আছিল ফুল-কোমল অন্তৰৰ সহজৰো সহজ সৰলৰো সৰল প্ৰজা। এইখন নগৰৰ সকলো ঠায়েই ফুলময়। বিশেষকৈ নগৰৰ এভাগক এই কাৰণেই নাম দিয়া হৈছিল — কুসুমপুৰ। আৰু এই কুসুমপুৰৰ এভাগত অতি অনুপাম পাটল নামৰ পুষ্পৰ সমদল থকাত এই সমগ্ৰ নগৰখনৰ নাম হৈছিল — পাটলিপুত্ৰ।

গঙ্গা আৰু শোণ নামৰ নৈৰ সংগমস্থলত প্ৰায় দুহেজাৰ বছৰৰ পূৰ্বতে তাত অজাতশত্ৰু নামৰ ৰজা, এগৰাকীয়ে এটি গড় সাজিছিল, যিটি গড় দুশতিকাৰ অন্তত ৰজা চন্দ্ৰগুপ্তই অধিক বিস্তৃত আৰু সুদৃঢ় কৰি তুলিছিল। তেতিয়াৰ সেই গড়ত পাঁচশ সত্তৰটি স্তম্ভ আৰু চৌষষ্ঠিখন দ্বাৰ।

নন্দবংশীয় ৰাজন্যবৰ্গই যেতিয়া মগধৰ শাসনজৰী হাতত ল'লে, তেতিয়া চন্দ্ৰগুপ্তই বিদ্ৰোহ কৰিলে। কিয়নো চেমনীয়া চন্দ্ৰগুপ্তক আৰু তেওঁৰ মাতৃকো নন্দবংশীয় সকলে অবাবতে অপমান কৰিছিল।

নন্দবংশীয় ৰজাই চন্দ্ৰগুপ্তক ধৰি আনিবলৈ চিপাহীহঁতক কটকটীয়াকৈ আদেশ দিলে। কিন্তু চিপাহীহঁতৰ দৃষ্টিক এৰাই চন্দ্ৰগুপ্ত নগৰৰপৰা নোহোৱা হৈ গ'ল।

এইকালতে গ্ৰিক-সম্ৰাট আলেগজান্দৰ



ওলাইছিল বিশ্বজয় কৰাৰ মনেৰে। আৰু সম্রাট আলেগজান্দৰে এদিন দুৰ্দ্ধৰ্ষভাৱে ভাৰত আক্রমণ কৰিলে।

চন্দ্ৰগুপ্তই নিৰ্ভীক চিতেৰে সম্রাট আলেগজান্দৰৰ এই বিৰাট আক্রমণত বাধা দিলে, আৰু চন্দ্ৰগুপ্ত নামৰ এই দুঃসাহসী ডেকাক যেনেতেনে ধৰি আনিবলৈ আলেগজান্দৰে কটকটীয়াকৈ আদেশ জাৰী কৰিলে। কিন্তু সম্রাট আলেগজান্দৰৰ দুৰ্দ্ধৰ্ষ অশ্বাৰোহী সৈন্যৰ প্ৰচণ্ড প্ৰচেষ্টাকো ব্যৰ্থ কৰি দুঃসাহসী চন্দ্ৰগুপ্ত বিজুলীগতিৰে পলাল।

কিন্তু এনেহেন উদণ্ড প্ৰকৃতিৰ এক যুৱাই কেনেকৈনো মগধৰ সিংহাসনত অধিষ্ঠিত হৈছিল ?

এই সফলতাৰ গুৰিত আছিল জুইৰ সৈতে বতাহৰ সংস্পৰ্শৰ দৰে চন্দ্ৰগুপ্তৰ সৈতে চাণক্য নামৰ এগৰাকী অতিপাত বুদ্ধিশালী দূৰদৃষ্টিসম্পন্ন প্ৰাজ্ঞ ৰাজনীতিজ্ঞৰ সংস্পৰ্শ।

নন্দবংশীয় এক ৰজাই এই অপাৰ-অপৰিমেয় বুদ্ধিশালী চাণক্যকো অবাৰ-অপমান কৰিছিল, আৰু সেই অহেতুক অপমানত জুইহেন ভমকাই জ্বলি উঠি নন্দ-বংশক পুলিয়ে-পোখাই উবাৰ কৰিবলৈ শপত লৈছিল। চন্দ্ৰগুপ্তৰ দৰে চাণক্যৰো একমাত্ৰ লক্ষ্য আছিল নন্দ-বংশৰ নিৰ্মূলন।

চন্দ্ৰগুপ্ত আৰু চাণক্যই মিলি চন্দ্ৰগুপ্তৰ বাহিনীক অটব্য অৰণ্যৰ মাজত যুদ্ধৰ প্ৰশিক্ষণ দিয়াৰ অন্তত এদিন অকস্মাৎ আক্রমণ কৰি বিশ্বাসহীনতাৰ অভিযোগত প্ৰজাবৰ্গৰ চকুত এনেয়ে তললৈ পৰা নন্দ বংশীয় ৰজা ধনানন্দক ৰাজ্যৰপৰা বিতাড়িত কৰি চন্দ্ৰগুপ্তই মগধৰ সিংহাসন অধিকাৰ কৰিবলৈ সক্ষম হৈছিল।

তাৰ পাছত চন্দ্ৰগুপ্তই তেওঁৰ মাতৃ মুৰাৰ নামানুসাৰে মৌৰ্য্য-বংশৰ স্থাপনা কৰিছিল।

তিমানতে বিশ্ব-বিজয়ী সম্রাট আলেগজান্দৰো মৰণতে শৰণ লৈছিল ; কিন্তু তেওঁৰ সাম্রাজ্য পঞ্জাৱলৈকে বিয়পি আছিল। চন্দ্ৰগুপ্তই গ্রিক সৈন্যবাহিনীক খেদি পঞ্জাৱ অধিকাৰ কৰাত এই বাতৰি পাই দেশলৈ যোৱা গ্রিক সেনাপতি ছেলিউকাছ পঞ্জাৱলৈ ঢপলিয়াই আহিল আৰু চন্দ্ৰগুপ্তৰ বিৰুদ্ধে আক্রমণ আৰম্ভ কৰিলে। কিন্তু মগধৰ সৈন্যবাহিনীয়ে যেতিয়া পৰদেশত খলি-পোতা গ্রিক সৈন্যক দুৰ্দ্ধৰ্ষভাৱে আক্রমিলে,

যেতিয়া ফেঁটীৰ মূৰ ছিঙা লৰ দি গ্রিক সৈন্যহঁতে ফৰিংছিটিকা দিলে, তেতিয়া গ্রিক সেনাপতি ছেলিউকাছে বাধ্যত পৰি আপোন পুত্রী এথিনাক চন্দ্রগুপ্তৰ সৈতে বিবাহ প্রদান কৰি সন্ধি কৰি যুদ্ধৰপৰা ৰেহাই ল'লে।

তাৰ পাছত চন্দ্রগুপ্তই ধুমার্জয় গতিৰে মাল্ব, গুর্জৰ, সৌৰাষ্ট্র আতি একে একে অধিকাৰ কৰি মগধ সাম্রাজ্যক বিস্তাৰিত কৰিলে আৰু চন্দ্রগুপ্ত এগৰাকী অতিপাত শক্তিমান কিন্তু বিবেকৱান ৰজাৰূপে দশোদিশে খ্যাত হৈ পৰিল।

ৰজা চন্দ্রগুপ্তৰ মৃত্যুৰ অন্তত তেওঁৰ পুত্র বিন্দুসাৰ মগধৰ সিংহাসনত উঠিল আৰু সুদক্ষভাবে সাম্রাজ্য-শাসন কৰি থাকিল। ৰজা বিন্দুসাৰৰ কালৰ প্রধান প্রধান নগৰসমূহৰ অন্যতম তক্ষশিলা, উজ্জয়িনীৰ নাম-খ্যাতি ইতিহাসৰ পাতৰপৰা অদ্যাপি বিলুপ্ত হোৱা নাই।

ৰজা বিন্দুসাৰৰ শাসনকালৰ ঘটনা : এদিন ৰাজধানী পাটলিপুত্রলৈ আহিল এগৰাকী প্রৌঢ় ব্রাহ্মণ আৰু তেওঁৰ জীয়েক। ৰাজপ্রাসাদৰ সিংহদ্বাৰৰ ঘাই পৰীয়াক সেইগৰাকী ব্রাহ্মণে ক'লে, "আমি মহাৰাজক দর্শনৰ অভিলাষী হৈ ইয়ালৈ আহিছোঁ।"

পৰীয়াই ইতিকিঙৰ সুৰেৰে ব্রাহ্মণক ক'লে, "আপুনি কোন ৰাজ্যৰ ৰজা ক'বনে বাৰু ? আৰু এই মহাৰাণীয়েইবা কোন ?"

ব্রাহ্মণে বিনম্রভাবে ক'লে, "মই এজন সাধাৰণ গ্রামীণ মানুহ। মহাৰাজৰ সৈতে এইক্ষণ সাক্ষাৎ হ'ব লাগে। দয়া কৰি সহায় কৰক। এতিয়া যদি মোৰ প্রতি সহায়তা প্রদর্শন কৰে, আগলৈ আপোনাৰো মংগল হ'ব।"

ব্রাহ্মণৰ কথাত পৰীয়া দোমোজাত পৰিল। ব্রাহ্মণৰ কাষত থিয় হৈ থকা গাভৰু-ছোৱালীজনী দেখাই-মেলাই শুৱনিৰো শুৱনি, কিন্তু বৰ গহীন-গম্ভীৰ। পৰীয়াই ব্রাহ্মণক সুধিলে, "আপুনি কি কাৰণে মহাৰাজৰ দর্শনপ্রার্থী হৈছে ক'বনে ?"

"সেই কথাটোকেৱল মহাৰাজকহে ক'ব পৰা যাব, আন কাকো নহয়।" ব্রাহ্মণে ৰজাৰ খাই দুৱৰীক ক'লে।

"কিন্তু মহাৰাজৰ দর্শন-প্রার্থীয়ে কাৰণ নোকোৱালৈকে আমি অকাৰণে মহাৰাজক দিগ দিব নোৱাৰিম।" পৰীয়াই সেই দর্শনপ্রার্থী ব্রাহ্মণক খাৰাংখাচ কৈ দিলে।

আৰু ঠিক সেই মূহূর্ততে ঘোঁৰাৰ চাব কটাৰ শব্দ উঠিল আৰু 'আঁতৰ হোৱাঁ, আঁতৰ হোৱাঁ-হঠ্ যাও' আদি আৰাৱেৰে ঠাইডোখৰ প্ৰকম্পিত হৈ উঠিল।

এজন প্ৰহৰীয়ে ব্ৰাহ্মণক হেঁচি একাষলৈ পঠিউৱাৰ চেষ্টা কৰাত ব্ৰাহ্মণ তেওঁৰ ছোৱালীজনীৰ গাত হুৰমুৰকৈ পৰিলগৈ, আৰু ছোৱালীজনীও বাটৰ একাষত লুটি খাই বাগৰি পৰিল।

আৰু ঠিক সেই মুহূর্ততে বিন্দুসাৰে তীব্ৰগতিৰে গৈ থকা তেওঁৰ অশ্বটোৰ লেকামত টানি ধৰিলে। পৰীয়াহঁতে মহাৰাজক প্ৰণাম কৰিলে, কিন্তু সেই যুৱতী আৰু ব্ৰাহ্মণক মাটিত পৰি থকা দেখি তেওঁ ভুৰু কোঁচাই অতিপাত বিৰক্তি আৰু ক্ৰুদ্ধ দৃষ্টিৰে প্ৰহৰীহঁতলৈ চালে।

তিমানতে ব্ৰাহ্মণ মাটিত পৰি থকাৰপৰা থিয় হৈছিল। তেওঁ হাত যুৰি মহাৰাজ বিন্দুসাৰক ক'লে, "মহাৰাজ, প্ৰহৰীহঁতৰ কোনো দোষ নাই। আমি প্ৰহৰীহঁতক আপোনাৰ দৰ্শন প্ৰাৰ্থনাৰ কথা কৈ থাকোঁতেই আপুনি আহিল।"

মহাৰাজে শান্তকণ্ঠেৰে ব্ৰাহ্মণক সুধিলে যে ব্ৰাহ্মণ তেওঁৰ দৰ্শনপ্ৰাৰ্থী হৈছিল কিয়।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত ব্ৰাহ্মণে নম্ৰতাৰে মহাৰাজক ক'লে, "সেই কথা আপোনাক গুপুতেহে ক'ব পাৰিম।"

ইতিমধ্যে ব্ৰাহ্মণৰ জীয়েকজনীও মাটিত পৰি থকাৰ পৰা উঠি আহিছিল আৰু মহাৰাজক প্ৰণাম কৰিছিল।

মহাৰাজে ব্ৰাহ্মণ-কন্যালৈ একেথিৰে চাই থকাত ছোৱালীজনী তলনূমূৰৰ হ'ল। আৰু তেতিয়া মহাৰাজৰ ইংগিতত ব্ৰাহ্মণ সপুত্ৰী মহাৰাজৰ পিছে পিছে গৈ থাকিল।

এক বিৰাট কক্ষত বহি মহাৰাজে ব্ৰাহ্মণক ক'লে, "এতিয়া কওক।"

ব্ৰাহ্মণে মহাৰাজ বিন্দুসাৰক পুনৰ নমস্কাৰ কৰিলে আৰু ক'লে, "মোৰ কথা যদি অৰ্থহীন অবিবেকী কথা হয়, মোক ক্ষমা কৰিব, মহাৰাজ! মই বিধতাৰ নিৰ্দেশমতে আপোনাৰ দৰ্শনপ্ৰাৰ্থী হৈছিলোঁহি। এতিয়া মোৰ বক্তব্য শুনক। মোৰ এই পুত্ৰীৰ শৈশৱকালত আমাৰ ঘৰলৈ সাধু এগৰাকী আহিছিল, আৰু এই ছোৱালীজনী আগলৈ মহাৰাণী হ'ব বুলি কৈ আশীৰ্বাদ কৰিছিল। কিন্তু আমাৰ দৰে ডাল-দৰিদ্ৰৰ ছোৱালী



দৰ্শনলাভ — বিধিৰ বিধান । আপুনি সেহিক্ষণত তালৈ নহাহেঁতেন আমাৰ কি অৱস্থা হ'লহেঁতেন মই ক'ব নোৱাৰোঁ । যি কি নহওক—মই মোৰ সুপুত্ৰী সুভদ্ৰাক আপোনাৰ হস্তত সমৰ্পিছোঁ, তাইক অনুগ্ৰহ কৰি গ্ৰহণ কৰক ।"

"মোৰ কেইবাগৰাকীও ৰাণী বিদ্যমান । তথাপি ধৰক, আপোনাৰ অনুৰোধ মানি লৈ এইজনীক মই বিবাহ কৰালোঁ । কিন্তুএইজনী কেনেকৈনো মহাৰাণী হ'ব ?" মহাৰাজে ব্ৰাহ্মণক সুধিলে ।

ব্ৰাহ্মণে ক'লে, "মই আৰু একোৱেই ক'ব নোৱাৰোঁ, মাত্ৰ ইমানকে ক'ব পাৰোঁ যে বিধতাই যি বিচাৰে সেয়ে হ'ব । কপালৰ আঁক কোনেও মচিব নোৱাৰে ।"

মহাৰাজ বিন্দুসাৰে মৃদুকৈ হাঁহিৰে সেই ব্ৰাহ্মণকন্যাজনীলৈ চালে, আৰু এজন প্ৰহৰীৰ হতুৱাই প্ৰাসাদৰ ঘাই লিগিৰীক মতাই অনাই লিগিৰীক ক'লে, "এই যুৱতীক অন্তেষপুৰলৈ লৈ যোৱা, আৰু মই উভতি নহালৈকে এওঁৰ প্ৰতি প্ৰতি মুহূৰ্ততে দৃষ্টি দিবা । এই কথাৰ অন্যথা নহয় যেন ।"

পিতৃৰ সৈতে বিচ্ছেদত পুত্ৰী সুভদ্ৰা বেদনাগধুৰ হৈ উঠিল, কিন্তু প্ৰধান লিগিৰীৰ সৈতে ধীৰ খোজেৰে ৰজাৰ অন্তেষপুৰলৈ সোমাই গ'ল ।

সুভদ্ৰা নামৰ এই সুন্দৰী যুৱতীলৈ চায়েই অন্তেষপুৰত হিংসাবিদ্বেষৰ ঢৌ দুৱাৰ-গঁৰিলা অহাদি বাগৰি আহিল । সকলোকেইজনী

এজনী কেনেকৈনো মহাৰাণী হ'ব পাৰে ? গতিকে সাধুগৰাকীৰ কথালৈ মই বৰ মন কৰা নাছিলোঁ আৰু লাহে লাহে সাধুৰ কথা পাহৰিলোঁ । তাৰ পাছততাই যেতিয়া যৌৱনপ্ৰাপ্তা হ'ল, তেতিয়া মই তাইৰ বাবে দৰা বিচৰাত লাগিলোঁ । তেতিয়া জ্যোতিষী এগৰাকীয়ে তাইৰ জন্ম-সোঁৱৰণী চাই গণনা কৰি অসংকোচে ক'লে যে তাই হেনো মহাৰাণীয়েই হ'ব ।"

এই কথা শুনি মহাৰাজ বিন্দুসাৰে সেইজনী যুৱতীলৈ চালে, আৰু যুৱতীয়ে মূৰ দোঁৱাই দিলে ।

ব্ৰাহ্মণে পুনৰ কৈ থাকিল, "মহাৰাজ, আমাৰ জ্ঞানত আপুনিয়েই একমাথোন মহাৰাজ । মোৰ এতিয়া ধাৰণা হৈছে যে পৰীয়াহঁতে বাধা দিয়া সত্বেও আপোনাৰ এই

ৰাণীয়ে-লিগিৰীয়ে মিলি সন্দেহৰ বিষসনা ফুচফুচনি চলি থাকিল।

এজনী লিগিৰীয়ে ক'লে, "এইজনীক কোনোবা দুখীয়া ব্ৰাহ্মণৰ ছোৱালীহেন লগা নাই দেখোন। এইক দেখাত সাইলাখ কোনোবাজনী ৰাজকুঁৱৰী যেনহে লাগিছে।"

আন এজনীয়ে টেঙা মাতেৰে ক'লে, "মহাৰাজে এইজনীক যদি বুকুত সাৱটি লয়েই—আন ৰাণীবিলাকৰ হৈ গ'ল।"

ঘাই লিগিৰীয়ে সুভদ্ৰাক এক বিৰাট আৰু সুদৃশ্য কক্ষলৈ লৈ গ'ল আৰু সেই সুসজ্জিত কক্ষত জিৰণি ল'বলৈ ক'লে। লিগিৰীয়ে তাইলৈ নতুন সাজ-পাৰ আনি দিলে, আৰু তাইৰ আহাৰৰ সুবন্দৱস্ত কৰিলে।

পাছদিনা মহাৰাজ বিন্দুসাৰ তেওঁৰ সাম্ৰাজ্যৰ সীমান্তলৈ বুলি ওলাই পৰিল। সীমান্তৰ জনাদিয়েক সামন্ত-ৰজাই মহাৰজাৰ বিৰুদ্ধে বিদ্ৰোহৰ ভাৱত মাত মাতিছিল, সেইবিলাকক সৈমান কৰিব লাগিব।

এই কামত মহাৰাজে প্ৰায় তিনিমাহমান অতিবাহিত কৰিলে, আৰু তাৰ পাছত এদিন ৰাজধানী পালেহি। কিন্তু তিমানতে তেওঁ সেই ব্ৰাহ্মণকন্যা সুভদ্ৰাৰ কথা সমূলি পাহৰি থাকিল, ভুলে-পাহৰণেও সুভদ্ৰাজনীৰ কথা তেওঁৰ মনত নপৰিল।

তেতিয়া তিনিওগৰাকী ৰাণীয়ে ভাবি থাকিল যে মহাৰাজে যদি এইজনী সুভদ্ৰাজনীক বিয়া কৰায়—তেনেহ'লে তেওঁলোকৰ প্ৰতি মহাৰাজৰ প্ৰেম নাইকিয়া

হ'ব। তিনিও ৰাণীয়ে মিলি এজন প্ৰখ্যাত তান্ত্ৰিকক মতাই অনাই মহাৰাজলৈ 'পাহৰণ-বাণ' প্ৰয়োগ কৰিবলৈ ক'লে, যাতে তেওঁ সুভদ্ৰা নামৰ শাঁকিনীজনীক পাহৰি পেলায়।

ৰাণী তিনিওৰেপৰা প্ৰোৎসাহন পাই লিগিৰীহঁতেও সুভদ্ৰাক ইচ্ছামতে অপমান কৰিবলৈ ধৰিলে। সুভদ্ৰাক ৰাণীসকলৰ নখ কাটিবলৈ নাপিতনী হিচাপে নিযুক্তকৰা হ'ল, আৰু ৰানীসকলেও প্ৰত্যক্ষভাৱেই সুভদ্ৰাক 'ঐ নাপিতনী' বুলি মাতি অতিকৈ বেয়াকৈ অপমান কৰি থাকিল।

এগৰাকী ৰাণীয়ে সুভদ্ৰাক ক'লে, "তুমি বোলে — দুখীয়া বামুণৰ ছোৱালী। তেনেহ'লেনো মহাৰাণী হ'বলৈ কিয় অন্যায় হাবিলাস কৰিছা? তোমাৰ এই কদৰ্য্য ইচ্ছা

কেতিয়াও সফল নহ'ব। এতিয়াও সময় আছে, চুপচাপ ৰাজপ্ৰাসাদ এৰি চুৰুণীৰ দৰে গুচি যোৱা। আৰু আমাৰ মহাৰাজৰো তোমাৰ প্ৰতি কোনো মন নাই, তেওঁ উভতি আহি তোমাৰ নামকে লোৱা নাই যে — নাজানানে?"

এইবোৰ কথাত সুভদ্ৰাই একো মাত নামাতি সহি থাকিল। তাই তাইৰ দুখ-বেদনাৰ কথা কাৰো আগত প্ৰকাশ নকৰিলে কালিকো একো নক'লে, আৰু তাই কেৱল তাইৰ দেউতাকে কোৱা কথাষাৰ বাৰে বাৰে সুঁৱৰিবলৈ ধৰিলে : তাইষ দেউতাকে তাইক সদায় কৈছিল : 'নেদেখাজন তোমাৰ সৈতে আছে।'

আৰু এইদৰে দিন-মাহ-বছৰ বাগৰি বাগৰি দুবছৰকাল পাৰ হ'ল।

বহুদিনৰ পাছৰ কথা। এদিন মহাৰাজে উদ্যানবনত ফুৰি থাকোঁতে তেওঁৰ ভৰিত কাঁইট এটা বিন্ধিল। কিন্তু তেতিয়া ৰাজবৈদ্য বা আন কোনো বৈদ্যও প্ৰাসাদত নথকাত পৰীয়া এজনে মহাৰজৰ ভৰিত বিন্ধা কাঁইট উলিয়াবলৈ 'নাপিতনী' সুভদ্ৰাজনীক মহাৰাজাৰ ওচৰলৈ লৈ আহিল।

সুভদ্ৰাই যেতিয়া তেওঁৰ ভৰিত বিন্ধা কাঁইট উলিয়াই আনিবলৈ চেষ্টা কৰি আছিল, তেতিয়া মহাৰাজ বিন্দুসাৰে তাইলৈ চোৱাৰ লগে লগে তাইৰ কথা যেনিবা অকস্মাৎ তেওঁৰ মনত পৰিল, আৰু তেওঁ নিজৰ অপৰাধত নিজেই নিজৰ প্ৰতি ক্ষোভিত হৈ উঠিল।

তাৰ পাছত অলপ সময়ৰ অন্তত কিঞ্চিত শান্ত হৈ তেওঁ সুভদ্ৰাক ক'লে, 'বিলম্ব যি হ'ল—হ'ল। তোমাৰ কথা বিস্মৃত হৈ মই যে অক্ষম্য অন্যায় কৰিলোঁ, তাৰ প্ৰতিকাৰ মই পাছত নহয়—নিশ্চয়কৈ আজিয়েই কৰিম। আজিয়েই সূৰ্যাস্তৰ আগে আগে মই তোমাক যথোচিত মৰ্য্যাদাৰে অৱশ্যেই বিবাহ কৰাম।"

মহাৰাজে তৎক্ষণাৎ তেওঁৰ মহামন্ত্ৰী আৰু ৰাজ-পুৰোহিতৰ সৈতে পৰামৰ্শ কৰি এই বিবাহৰ কাৰণে অনতিপলমে সৰ্ববিধৰ প্ৰস্তুতি ল'বলৈ আৰু কটকটীয়াকৈ আদেশ প্ৰদান কৰিলে আৰু মন্ত্ৰী-মহামন্ত্ৰীয়ে থৰ-কাছুটি হেৰুৱালে। [আগলৈ]

সুন্দ-উপসুন্দ

নিমজ নিশাৰ নিখচ এন্ধাৰৰ মাজেদি গৈ গৈ প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই গছৰপৰা মৰা শটো নমাই আনি কান্ধত পেলাই লৈ আউঁসীৰ ডাঠ এন্ধাৰ ভেদি পুনৰ সেই মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, “মই তোমাক কৈকৈ ভাগৰি পৰিছোঁ, তথাপি নকৈ নোৱাৰোঁ, হে ৰজা, তুমি কিনো সমস্যাৰ সমাধানৰ বাট বিচাৰি এইদৰে তন্ত্ৰসাধকৰ ভাও জুৰি আওমৰণে মৰিবলৈ যুগ যুগ ধৰি এনেহেন অকল্পনীয় শ্ৰম কৰিছা ? যি ভাবিছা, তন্ত্ৰ-সাধনাৰে অন্তত তন্ত্ৰশক্তি লভিলেও বাঞ্ছিত ফললাভ নহ'বো পাৰে। এই বিষয়ে আজি মই তোমাক সুন্দ-উপসুন্দ নামৰ দুজন ব্যক্তিৰ কাহিনী শুনাম, যি-কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ জ্ঞানোদয় নহ'লেও বাট বুলি বুলি গৈ থকাৰ ভাগৰ কথঞ্চিত লাঘৱ হ'ব।” এই বুলি কৈ বেতালে সুন্দ নামৰ মানুহজনৰ এক আকৰ্ষনীয় কাহিনী ক'বলৈ ধৰিলে :

বেতাল-কথা

তাহানিদিনৰ কথা। মগধ নামৰ দেশখনৰ ধৰ্মপুৰী নামৰ গাঁও এখনত সুন্দ আৰু উপসুন্দ নামৰ দুজন মানুহ চুবুৰীয়া হিচাপে বসবাস কৰিছিল। সুন্দ আছিল ধনেদি দৌল বন্ধা মানুহ, কিন্তু তাৰ বোলা ক'তো কোনো-কেও নাছিল। গতিকে সুন্দই তেওঁৰ অপৰিমিত ধনেৰে আনলৈ সততে সহায় কৰিছিল, আনৰ কামতো হাত-উজান দিছিল, আৰু তাৰ ফলত লোকপ্ৰিয়তা আৰ্জিব পাৰিছিল।

উপসুন্দৰ আচাৰ-আচৰণ আছিল সুন্দৰ বিপৰীত। উপসুন্দৰ পা-পৰিয়াল আছিল ঢেৰ, আৰু তাৰ ফলত তাৰ আয়-উপাৰ্জনখিনি, প্ৰায় পানীৰ সোঁতৰ দৰে চাওঁতে চাওঁতে নোহাৰা হৈছিল, আৰু সি ধোঁৱাখুলীয়া হৈ পৰিছিল। সি আছিল দন্দুৰা আৰু চকুচৰহা। তাৰ নিজৰ লোকচান হয় হওক, তথাপি আনৰ লাভ নহওক — এয়ে আছিল তাৰ মনৰ ভাব।

কথাটো উপসুন্দয়ো নজনাকৈ নাছিল যে ৰাইজে তাক ভাল নাপায়। কিন্তু এইবাবে তাৰ কোনো দোষ-জগৰ আছে বুলিও সি ভবা নাই। তাৰ বক্তব্য হ'ল যে — সলিসিয়ান সুন্দইহে তাৰ বদনাম ৰটি ফুৰিছে, ৰাইজৰ মাজত ঢৌ-বানাহ দিছে। আৰু, সুন্দই তাক ক্ষুদ্ৰৰো ক্ষুদ্ৰ কৰাৰ মনেৰে লোকক দেখুৱাই তাৰ হাতৰ মলি টকা-সিকা দান কৰিছে।

কথাখিড়িন এদিন কথাই-কথাই গাঁৱৰ গাঁওবুঢ়াকো উপসুন্দই ক'লে। সি আৰু ক'লে যে সিঅৰ্থাৎ উপসুন্দ যদি ভাল হৈ উঠে, তেতিয়া সুন্দই জীয়াতে মৰিব, সি তললৈ পৰিব, মোৰ ভালেই হ'ব তাৰ কাল।"

গাঁওবুঢ়াই তাক সুধিলে, "এয়ানো কি কৈছা। তোমাৰ ভালেৰে তাৰ কাল হ'ব কেনেকৈ, আৰু কিয় ?"

"শুনক, কয়লাৰ ওচৰত থকা, ভস্মও জোনাকত জিলিকে, য'ত গছ-বিৰিখ নাই তাত এৰাও মহাবৃক্ষ। য'ত কোনো পণ্ডিত নাই, তাত দুটামান আখৰ চিনাটোও কালিদাস। আপোনালেকেই কওক—সুন্দই তাৰ হাতৰ মলিৰ সমান টকা-সিকা দান কৰি ৰাইজৰ কিনো উপকাৰ সাধিছে ? আপোনালোকে মিছামিছিকৈ মোৰ দূষণ ধৰিছে, সুন্দৰ সৈতে সদায় ৰিজাইছে। অথচ তাৰ লগত মোৰ পাৰ্থক্য ইমানেই যে তাৰ

কোনো পা-পৰিয়াল নাই। গতিকে সি লোকক ধনৰ গছ দেখুৱাব পাৰিছে, কিয়নো সি আয়-দায় নোহোৱা মানুহ, আৰু মই হ'লোঁ বাৰটা বাঘৰ জামিন। মোৰ ওপৰত এক বিৰাট পৰিয়লৰ দায়িত্ব থকাত তেনেহেন ফুটনিত বেঙেনা ভাজি নোৱৰা হৈছোঁ মই। সি আনক সহায়-তহায় কৰিলেও মোক কিন্তু কোনোদিনেই কোনো সাহায্য কৰা নাই।"

গাঁওবুঢ়াই উপসুন্দৰ কথাত যুক্তিথকা বুলি ভাবিলে আৰু উপসুন্দই কোৱা কথাখিনি ৰাইজৰ কাণ পাই পাই এদিন সুন্দ-ৰ কাণও পালেগৈ।

সুন্দ তেতিয়াই গাঁওবুঢ়াৰ ওচৰলৈ গ'ল আৰু ক'লে যে গাঁৱৰ কেইগৰাকীমান মথিয়ন মানুহক আৰু উপসুন্দকে মতাই অনাওক, মোৰ খাচ-কথা মই সমজুৱাসকলৰ আগত ক'ম।

সমজুৱাসকলৰ মাজত বহি সুন্দই উপসুন্দক সুধিলে, "উপসুন্দ, তোমাৰ আয়-উপাৰ্জন কিমান — কোৱাঁ।"

উপসুন্দই ক'লে যে তাৰ আয় উপাৰ্জন মাহেকত এশ টকামান।

"তাৰপৰা কিমান ব্যয় ?" সুন্দই পুনৰ উপসুন্দক সুধিলে।

উপসুন্দই ক'লে যে তাৰ পাৰিবাৰিক ব্যয় মাহেকত কমেও তিনিশ টকা।

সুন্দই পুনৰ সুধিলে যে তাৰ কৰ্জাৰ পৰিমাণ কি।

উপসুন্দই ক'লে, "দুহেজাৰ টকা।"



তেতিয়া সুন্দই তাত গোটখোৱা গাঁৱৰ মেথা বুঢ়া-সকলৰ আগত ক'লে, "মান্যমান ডাঙৰীয়াসকল, উপসুন্দৰ কৰ্জাখিনি মই পৰিশোধ কৰি দিম। আৰু মোৰ সা-সম্পত্তিৰপৰা মোৰ যিখিনি উপাৰ্জন হয়, মাহেকত প্ৰায় দুহেজাৰমান — তাকো মই আপোনাসবৰ নামত লিখি দিম, যাৰপৰা মাহেকত পাঁচশ টকাকৈ আপোনালোকে যদি ভাল বুজে উপসুন্দক দিব পাৰিব। কিন্তু এই কথাত মোৰ কিঞ্চিত চৰ্ত আছে। চৰ্ত হ'ল যে উপসুন্দই কাজিয়াখোৰি এৰিব লাগিব, লোকৰ নামত ৰটনামিছাকেখচনাৰ কামটি সমূলি এৰিব লাগিব, আৰু তাৰ যিখিনি নিজাকৈ আয়-উপাৰ্জন—সেইখিনি পৰৰ উপকাৰৰ অৰ্থে ব্যয় কৰিব লাগিব।"

জ্ঞানাৰ্জনৰ ধাউতি প্ৰবলৰূপেই আছে, এতেকে তুমি যোগী হৈ লোকসমগ্ৰৰ হিত সাধিত পৰিবা।"

তেতিয়াৰকালত মগধৰ ৰজা আছিল মহাগুপ্ত। আৰু সমগ্ৰ মগধৰাজ্যক তেতিয়া দুবছৰ ধৰি খৰে কোবাই গৈছিল, যাৰ ফলত মগধৰ প্ৰজাবৰ্গৰ মাজত ঘাইকৈ খাদ্যাভাৱ আৰু খোৱাপানীৰ অভাৱৰ ফলত ৰাজ্যৰ চুকো-কোণে হাহাকাৰৰ ধ্বনি উঠিছিল। মহাৰাজ মহাগুপ্তই দিনতে এন্ধাৰ দেখিছিল, কিন্তু প্ৰকৃতিৰ বিৰুদ্ধে তেওঁ যে কি কৰিব পাৰেভাবি উলিয়াব নোৱৰা হৈছিল।

এনেহেন পৰিস্থিতিত সুন্দ মগধ ৰাজ্যলৈ আহিল, আৰু আহিয়েই মহাৰাজ মহাগুপ্তক কৈ থাকিল, "মহাৰাজ, এই দুৰ্দশাগ্ৰস্ত অৱস্থাৰ প্ৰতিকাৰ কেৱল আপুনিয়েইহে কৰিব পাৰিব। যদি প্ৰতিকাৰ কৰাৰ বাবে সক্ষম হয়— মই মোৰ সাধ্যানুসৰি সহায়তা আগ বঢ়াম।"

সুন্দৰ বেশ-ভূষা আৰু তেজস্বিতালৈ চাই মহাৰাজ মহাগুপ্তৰ মনত সন্দেহ নাথাকিল যে এইগৰাকী এগৰাকী যোগী। মহাৰাজে ক'লে, "হে মহাত্মা, এই প্ৰাকৃতিক সমস্যাৰ সমাধান মই সামান্য মানৱমাত্ৰ হৈ কেনেকৈনো কৰিব পাৰোঁ ? এয়া অসাধ্য।"

"ঠিক আছে, মহাৰাজ, এই প্ৰাকৃতিক সমস্যাৰ সমাধানৰ বাবে মোৰপৰা সহায়তা লোৱাত আপোনাৰ যদি কোনো আপত্তি নাই, মই সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিছোঁ। মই তন্ত্ৰ-মন্ত্ৰৰ যোগেদি এই ভয়ংকৰ খৰাং বতৰ

সুন্দৰ এইবোৰ সুন্দৰ কথা গাঁৱত বনাগ্নিৰ দৰেই বিয়পি পৰিল, আৰু সুন্দ-ৰ নামত পুনৰ এবাৰ ৰাইজৰ মাজত জয়ধ্বনি উঠিল।

সুন্দই তেওঁৰ কথা মতেই সকলো লাগতিয়াল বন্দবস্ত সুচাৰুৰূপে লিখি দিলে আৰু পাছদিনাই গাঁও এৰি অৰণ্যবাসী হ'বলৈ খোজ ল'লে।

সেই মহাৰণ্যত এগৰাকী মহৰ্ষিৰ আশ্ৰম আছিল। সুন্দই মহৰ্ষিক প্ৰণাম কৰিলে আৰু মহৰ্ষিয়ে-সুন্দক কিছুমান প্ৰশ্ন কৰাৰ অন্তত ক'লে, "পুত্ৰ, বুদ্ধিমন্ত মানুহে কেৱল দুটা বাট ল'ব লাগে। প্ৰথমটো বাট হ'ল তপ-জপৰ যোগেদি মোক্ষলাভৰ বাট আৰু দ্বিতীয়টো হ'ল যোগবিদ্যাৰে জ্ঞানাৰ্জনৰ বাট। তোমাৰ মাজত

নোহোৱা কৰি মেঘ-বৰষুণৰ সৃষ্টি কৰি দিম। কিন্তু এই কাৰ্য্যৰ বাবে সঠিক স্থলৰ আৱশ্যক হ'ব। মই শব্দযজ্ঞেৰে এই কাৰ্য্য সাধিম।"

যোগী সুন্দ-ৰ কথাৰ উত্তৰত মহাৰাজ মহাগুপ্তই ক'লে, "আমাৰ দেশত যদি আপুনি প্ৰকৃতিতেই প্ৰকৃতিৰ অপূৰ্ব দান বৃষ্টিৰ সৃষ্টি কৰিব পাৰে — মই অৱশ্যই আপোনাৰ কণকাভিষেক কৰিম।"

যোগী সুন্দই কেইমুহূৰ্তমানলৈ চকু মুদিলে আৰু তাৰ পাছত চকু মেলি চাই ক'লে, "মহাৰাজ, ৰথ সাজু কৰিবলৈ আদেশ প্ৰদান কৰক। এই শব্দযজ্ঞৰ বাবে শিৱপুত্ৰ গ্ৰাম হ'ব অনুকূল স্থান।"

যোগী সুন্দ-ৰ চৰ্তানুসাৰে মহাৰাজ মহাগুপ্তই নিৰস্ত্ৰভাৱে ৰথোপৰি আৰোহণ কৰিলে। ৰথ দ্ৰুতগতিৰে গৈ থাকিল। কিন্তু ভালেখিনিমান বাট পাৰ হৈ যোৱাৰ পাছত বাটৰ কেঁকুৰি এটাত হঠাৎ ৰথৰ ঘোঁৰা দুটাই হেঁহনি তুলি ৰৈ দিলে।

ৰথৰ সাৰথিয়ে কঁপা কঁপা মাতেৰে ক'লে, "মহাৰাজ, সৌৱা চাওক—তাত ভালেমান ভয়ংকৰ বাঘ!"

মহাৰাজে আৰু সুন্দয়ো সেইপিনে চালে কেঁকুৰিৰপৰা অলপমান আঁতৰত বাৰটা বাৰ খাপ লৈ ৰৈ আছিল। ৰথৰ আৰোহীসকলৰ মাজত কাৰো লগত কোনো অস্ত্ৰও নাই। কি উপায়? সাৰথিৰ তো হয়েই, তালুৱে-জিভাই লগা মহাৰাজেও ধাৰৰ নলকঁপা দিয়া হ'ল, তেওঁৰ অষ্ঠ-কণ্ঠও শুকাই গ'ল।

যোগী সুন্দ ৰথৰপৰা নামি আহিল, আৰু মন্ত্ৰোচ্চাৰণ কৰি কৰি সেই মহাহিংস্ৰ বাঘবিলাকৰ সমুখলৈ গৈ থিয় হ'ল।

অতি বিস্ময়ৰ কথা — সেই বাঘবিলাকে যোগী সুন্দৰ আগত লেটি ল'লে আৰু তাৰ

পাছত বাঘবিলাকক কিবাকিবি কোৱাৰ অন্তত বাঘবিলাকে পুনৰ হাবিলৈ বুলি বাধ্য কুকুৰৰ দৰে খোজ বঢ়ালে।

সুন্দই পুনৰ ৰথত উঠিলহি। তেওঁ মহাৰাজ মহাগুপ্তক ক'লে, "হিংস্ৰ জন্তুবিলাকেও জীৱনধাৰণৰ বাবে, কিছুমান বিশেষ উপায় অনুসৰণ কৰা হয়। সাধাৰণ মানুহে নোৱাৰে, কিন্তু যোগীসকলে মাত্ৰ শব্দৰ যোগেদিয়েই ইহঁতক সেও কৰিব পাৰে।"

তাৰ পাছত ৰথখন নিৰ্বিঘিনিৰে শিৱপুত্ৰ গাঁও পালেহি। তেতিয়া সেই গাঁৱৰ কিছুমান মানুহে বিভ্ৰান্তৰ দৰে অনাই-বনাই ফুৰি আছিল। যোগী সুন্দই তেওঁলোকক সুধিলে যে ইয়াত কি ঘটনা ঘটিছে — কথা কি।

এজন বুঢ়া মানুহে সুন্দৈৰ ৰ' লাগি চাই থকাৰ অন্তত সৰু সৰুকৈ সুধিলে, "বোপা, তুমি—তুমি বাৰু কোনোবা যোগীপুৰুষনে?"

বুঢ়াৰ প্ৰশ্নৰ উত্তৰ মিচিকীয়াই হাঁহি সুন্দই মূৰ দুপিয়ালে।

তেতিয়া সেই বুঢ়া মানুহজনে ক'লে, "আমাৰ গ্ৰামদেৱীয়ে আমাৰ গাঁওবুঢ়াক সপোনত দেখা দি কৈছিল যে এইখন শিৱপুত্ৰ গাঁৱত এগৰাকী মহাযোগীৰ আৱিৰ্ভাৱ হ'ব, আৰু সেই যোগীয়ে শব্দযজ্ঞেৰে বৰষুণ নমাব। কিন্তু এই শব্দযজ্ঞৰ ফলত হেনো আমাৰ গাঁওখনক ভূঁইকঁপে জোকাৰি যাব। গাঁওখনক ভূঁইকঁপৰ জোকাৰণিৰপৰা ৰক্ষা কৰিবলৈ হ'লে সৌ বিৰাট শিলচটাক দহ হাত পৰিমিত ওপৰলৈ উঠাব লাগিব।কিন্তু আমি বহু চেষ্টাৰেও আনকি চুলিমানো লৰাব পৰা নাই সেই শিলচটাক।"

মহাৰাজ মহাগুপ্ত সেই শিলচটাৰ কাষ চাপিল। এই কাৰ্য্য যে মানুহৰ অসাধ্য সেই নিশ্চিত কথাত তেওঁৰ মনত কোনো সন্দেহ নাথাকিল।

তেতিয়া যোগী সুন্দই মহাৰাজক ক'লে, "মহৰাজ, সকলো কাৰ্য্য শক্তিৰে কৰাটো সম্ভৱ নহয়। জ্ঞানৰ শক্তিৰেও কিছুমান কঠিনৰো কঠিন কাৰ্য্য কৰিব পাৰি। এটিমাত্ৰ অনুৰূপৰা ব্ৰহ্মাণ্ডৰ সৃষ্টি হোৱা নাছিলনে? মই অণু-ৰূপ মন্ত্ৰ মাতিয়েই এই পৰ্বতহেন প্ৰকাণ্ড শিলচটাক ওপৰলৈ উঠাম।"

আৰু যোগী সুন্দই মন্ত্ৰোচ্চাৰণ কৰাৰ লগে

লগেই সেই প্ৰচণ্ড গধুৰ শিলচটা শূন্যলৈ উঠিল আৰু তাতেই স্থিৰ হৈ থাকিল। এই দৃশ্য দেখি তাত গোট খোৱা গাঁৱৰ ৰাইজ ইমানেই হতবাক হ'ল যে তেওঁলোকে যোগীৰ নামত জয়ধ্বনি কৰিবলৈকো পাহৰি থাকিল।

তাৰ পাছত যোগী সুন্দই তাত শব্দযজ্ঞ আৰম্ভ কৰি দিলে। আৰু যজ্ঞ সমাপ্ত হোৱাৰ লগে লগে আকাশৰ পৰা ধাৰাসাৰ বৰষুণ নামি আহিল। এই সঁতা-ধৰা বৰষুণ চাওঁতে চাওঁতে সমগ্ৰ মগধদেশৰ চুকে-কোণে বিয়পি পৰিল। মগধৰ প্ৰজাসৱে এই সঁতা ধৰা বৰষুণৰ ফলত যেনিবা পুনৰ জীৱন ঘুৰাই পালে।

যোগী সুন্দ-ৰ এনবোৰ অকল্পনীয় অলৌকিক কাৰ্য্যকলাপ দেখি বিস্ময়ৰ পাৰ-কূল নোপোৱা মহাৰাজ মহাগুপ্তই সুন্দক ক'লে, "হে মহাত্মা, আপুনি সৰ্বশক্তিসম্পন্ন মানৱৰূপী দেৱতা অৱতাৰপুৰুষ। আমাৰ দেশবাসীক আপুনি সাৰ্বিক মৃত্যুৰপৰা ৰক্ষা কৰিলে। আপোনাৰ আগত মই তেনেই তুচ্ছ, শক্তিহীন মানুহমাত্ৰ। আপুনি প্ৰস্থান কৰাৰ অন্তত মই যে কেনেকৈ কি কৰিমসেই দুৰন্ত চিন্তায়েই মোক খুলি খুলি খাব ধৰিছে।"

সুন্দই মৃদুকৈ হাঁহিৰে উপসুন্দৰ কথা মহাৰাজক ক'লে। তাৰ পাছত মন্তব্য কৰিলে, "মহাৰাজ, উপসুন্দই মোৰ বিৰোধিতা এতিয়ালৈকো এৰা নাই। মই যে যোগী হ'লোঁ, আৰু কিঞ্চিত অলৌকিক শক্তি আৰ্জিলোঁএই কথা জানি সি মোৰ অৰণ্যাশ্ৰমলৈ আহি মোক এই বুলি জলা-কলা কৰিছে যে তাকো মই এই শক্তিৰ অধিকাৰী কৰি দিব লাগিব, নতু মোৰ আশ্ৰমত সি হেনো জুই লগাই দিব। দৰাচলতে মোৰ নিজৰ আৰু মোৰ আশ্ৰমৰ সুৰক্ষাৰ বাবেই মই আপোনাৰ কাষ চাপিছিলোঁ।"

মহাৰাজ মহাগুপ্তই ক'লে, "হে মহাত্মা, এইবোৰ কি কৈছে ? আপুনি ব্যাঘ্ৰক লেটি

লোৱাব পাৰিছে, পৰ্বতহেন শিলচটাক শূন্যত স্থিৰ ৰাখিব পাৰিছে, প্ৰকৃতিৰ বিৰুদ্ধে যুঁজি জয়লাভ কৰি আপামৰ দেশবাসীক ৰক্ষা কৰিব পাৰিছে — আৰু সেইগৰাকী অলৌকিক শক্তিসম্পন্ন আপুনিয়েই মোৰপৰা নিজৰ সুৰক্ষাৰ বাবে সহায় খুজিছে — এয়ানো কেনেকুৱা কথা ?''

মহাৰাজৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ সুন্দই কেইমুহূৰ্তমান মৌন হৈ থাকিল আৰু তাৰ পাছত গহীন মাতেৰে ক'লে, ''মহাৰাজ, দেশৰ অধিবাসী সকলৰ সুৰক্ষা যিহেতু ৰজায়েই কৰে, সিহেতুকে উপসুন্দক দণ্ডদান কৰাৰ ক্ষমতা মই নিজৰ হাতত ল'ব নোৱাৰোঁ। এই কথা এক মহাসত্য যে — আনৰ সৎ কাৰ্য্যত হস্তক্ষেপ কৰাটো সৎ যোগীৰ কাৰ্য্য নহয়।''

মহাৰাজে সুন্দক আৰু তেওঁৰ আশ্ৰমখনৰ সুৰক্ষাৰ বাবে সুন্দ-ৰ আশ্ৰমলৈ আৰু লগতে সেই অৰণ্যলৈকো উপসুন্দৰ উপস্থিতিৰ বিৰুদ্ধে আদেশ জাৰী কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, ''হে ৰাজন্ ! অসীম শক্তিমান যোগী সুন্দ-ৰ এই আচৰণ হাস্যকৰ নহয়নে ? যিজন যোগীয়ে তন্ত্ৰ-মন্ত্ৰেৰে যি মন যায় কাৰিব পাৰে, সেইজন যোগীয়ে এজন সামান্য মানুহৰপৰা নিজক ৰক্ষা কৰিব নোৱাৰেএয়া বিশ্বাস্য কথানে ? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি যে নিশ্চয়েই চাৰিফাল হ'ব সেই কথা ধ্ৰুৱ বুলি জানিবা।''

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, ''ঈশ্বৰে মানৱৰ মাজত বুদ্ধি, শক্তি, বাক্‌শক্তিসকলো প্ৰদান কৰিলে। কিন্তু তাৰ অৰ্থ এয়ে নহয় যে মানৱে আনৰ অধিকাৰৰ সীমা অপ্ৰয়োজনত বা সামান্য প্ৰয়োজনত ইচ্ছা মতে উলংঘা কৰিব। আৰু যোগীপুৰুষসকলো যে এই সীমাৰ ব্যতিক্ৰম নহয়—সেই কথা মহান যোগী সুন্দই উপলব্ধি কৰিছিল বুলিয়েই মহাৰাজ মহাগুপ্তক তেনেকৈ কৈছিল।''

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটো কঢ়িয়াই লৈ পুনৰ সেই গছজোপালৈ বুলি সাউৎকৰে গুচি গ'ল আৰু ডালত ওলোমাই থোৱা হ'ল। [কল্পিত]

এৰি থৈ মান্নাৰ ব'লা যাওঁ আৰু দূৰ সাগৰৰ ধাৰ...

ৰচন : মীৰানায়াৰ ❖ আঁকন : গোপকুমাৰ

এতিয়া আমি উজনীয়ালে কন্যাকুমাৰিকাক এৰি যাওঁ উজাই উপসাগৰ মান্নাৰলৈ।

মান্নাৰ উপসাগৰৰ কাণে কাণে গৈ গৈ, মূল-ভূমিত পাওঁগৈ সাগৰপৰীয়া চহৰখন ইমান যে সুন্দৰ তিৰুচেন্দুৰ। এহিখন চহৰতে সাগৰৰ পাৰতে আছে বিস্তীৰ্ণ ঠাইজোৰা প্ৰভু সুব্ৰহ্মণ্যৰ বিৰাট মন্দিৰ। এই মন্দিৰক ইয়াত মুৰুগুৰ মন্দিৰ বুলিও কোৱা হয়। আদি মন্দিৰ, প্ৰায় এহেজাৰ বছৰৰ পূৰ্বতে সাগৰবালিৰ ওপৰতে সজা হৈছিল ; যদিও তিনি শতিকাৰ পাছত সেই মন্দিৰক নও-মহলা মন্দিৰলৈ ৰূপান্তৰিত কৰা হৈছিল। তীৰ্থযাত্ৰীসকলে 'কাৱাদি'ৰে সৈতে, অৰ্থাৎ অৰ্ঘ্যৰে সৈতে প্ৰভুলৈ উছৰ্গা কৰিবলৈ আহে।

তিৰুচেন্দুৰৰপৰা কেইকিল'মিটাৰমানৰ দূৰত্বত টুটুকাডি বা তুতিকোৰিন অৱস্থিত। ১৯৭৪ চনৰ ১১ জুলাইৰ দিনা তুতিকোৰিনক ভাৰতৰ ১০ম প্ৰধান বন্দৰ হিচাপে ঘোষণা কৰা হৈছিল, আৰু তাৰ ফলত তামিলনাডু হ'ল ভাৰতৰ একমাত্ৰ ৰাজ্য যি-ৰাজ্যত দুখন প্ৰধান বন্দৰ আছে। এই বন্দৰ সকলো ঋতুতে সমানভাৱে সচল থাকে। এই বন্দৰৰ উত্তৰ আৰু দক্ষিণদিশত সমুদ্ৰৰ প্ৰচণ্ড দুৱাৰ-গঁৱিলাৰ আঘাতৰপৰা বন্দৰক ৰক্ষা কৰিবলৈ যি মথাউৰি সজা হৈছে (৪০৯৬ মিটাৰ), সেই মথাউৰিৰ দৈৰ্ঘ্য পৃথিৱীত দ্বিতীয়।

সুপ্ৰাচীনকালৰেপৰাই ভাৰতৰ মুক্তা অতি মূল্যবান মুক্তা হিচাপে সমগ্ৰ পৃথিৱীৰ আদৰ পাই আহিছে। সেইকালত অৰ্থাৎ দ্বিতীয় শতিকাত মান্নাৰ উপসাগৰৰপৰা প্ৰাপ্ত মুক্তা ৰোম আৰু অন্যান্য দূৰ-সুদূৰ দেশলৈকো ৰপ্তানি কৰা হৈছিল। তুতিকোৰিন বন্দৰ এতিয়াও মুকুতাৰ বাণিজ্যবন্দৰ; যদিও তুতিকোৰিন নিমখৰ কাৰখানা, সাৰ-কাৰখানা, আনৱিক কাৰ্য্যত ব্যৱহৃত গধুৰ ওজনৰ জল আৰু থাৰ্ম্যাল প্লাণ্টৰ কাৰণেও বিখ্যাত।

প্ৰভু সুব্ৰহ্মণ্যৰ মন্দিৰ-নগৰ



ৰামেশ্বৰম হ'ল অতি পৱিত্ৰ দ্বীপ-নগৰী। এই পৱিত্ৰ দ্বীপ-নগৰী ৰামেশ্বৰম মান্নাৰ উপসাগৰৰ উত্তৰদিশত অৱস্থিত। হিন্দুসকলৰ 'চাৰিধাম'ৰ অন্যতম ধাম হ'ল ৰামেশ্বৰম্ (অন্য তিনিখন ধাম হ'ল যথাক্ৰমে বদ্ৰীনাথ, দ্বাৰকা আৰু জগন্নাথ-পুৰী)। সকলো ভক্তিমান হিন্দুৰ বাসনা জীৱনকালত এবাৰমাত্ৰ হ'লেও ৰামেশ্বৰম দৰ্শন কৰিব লাগে। এই দ্বীপ-নগৰীৰ ঐতিহ্য ৰামায়ণৰ সৈতে যুক্ত।

শ্ৰীৰামচন্দ্ৰৰ নামতে এই দ্বীপ ৰামেশ্বৰমৰ নামকৰণ। কথিত আছে, ৰাৱণ-বধজনিত পাপৰ প্ৰায়শ্চিত্তৰ বাবে শ্ৰীৰামচন্দ্ৰই ইয়াত এটি শিৱ লিঙ্গ স্থাপন কৰিছিল, কিয়নো ৰাৱণ আছিল ব্ৰাহ্মণ বংশজাত। স্বয়ং ৰামচন্দ্ৰই শিৱলিঙ্গ স্থাপনৰ আগতে হনুমানক কৈলাসৰপৰা শিৱলিঙ্গ কঢ়িয়াই আনিবলৈ কৈছিল কিন্তু হনুমানে সেই লিঙ্গ লৈ অহাত অভাৱিতভাৱে বিলম্ব কৰাত অধৈৰ্য্য হৈ সীতাই ৰামচন্দ্ৰক সাগৰৰ বালিৰেই শিৱলিঙ্গ সাজি পূজিবলৈ ক'লে, কিয়নো শিৱলিঙ্গ পূজিবৰ শুভ মুহূৰ্ত উকলি যাওঁ যাওঁ হৈছিল।

হনুমানে কৈলাসীয় শিৱলিঙ্গ লৈ যেতিয়া ৰামেশ্বৰম পাইছিলহি, তিমানতে ৰামচন্দ্ৰই সাগৰৰ বালিৰে শিৱলিঙ্গ সাজি উলিয়াইছিল। এই ঘটনা-দৃষ্টে হনুমানক মৰ্মাহত হোৱা দেখি কোমলহৃদয় ৰামচন্দ্ৰই তেওঁ সজা বালিৰ শিৱলিঙ্গকে সাগৰবালিৰপৰা উঠাই আনিবলৈ হনুমানক ক'লে। কিন্তু হনুমানে তেওঁৰ সৰ্বশক্তিৰেও সেই শিৱলিঙ্গক চুলিপৰিমাণেও লৰাব নোৱাৰিলে। তেতিয়া ৰামচন্দ্ৰই হনুমানে লৈ অহা কৈলাসীয় শিৱলিঙ্গ এই বালিৰে সজা শিৱলিঙ্গৰ কাষতে স্থাপন কৰাৰ আদেশ দিলে, আৰু ক'লে যে তেওঁ সজা বালিৰ শিৱলিঙ্গক পূজিবৰ আগতে হনুমান-আনীত শিৱলিঙ্গক পূজিব লাগিব। আনকি এতিয়াটলৈকো হনুমান-আনীত সেই 'কাশী-বিশ্বনাথ ৰামনাথ স্বামী লিঙ্গ'ক ভক্তসৰে আগতে পূজে।

১৫ শতিকাত, সেতুপতি ৰাজবংশীয় ৰজা উদয়নে শ্ৰীৰামচন্দ্ৰই শিৱপূজা কৰাৰ ঠাইত ৰামনাথস্বামী মন্দিৰ সাজিছিল।

এই মন্দিৰৰ ১২০০ মিটাৰ দীৰ্ঘ বাৰাণ্ডা আছে, আৰু আছে এক সহস্ৰ কাৰুকাৰ্য্যময় স্তম্ভ। ভাৰতত এই বাৰাণ্ডা হ'ল দীৰ্ঘতম।

হনুমানে বালিৰ শিৱলিঙ্গ উঠাই আনিবৰ চেষ্টা কৰিছে

শিখসকলৰ ১০ম গুৰু গুৰুগোবিন্দ সিঙে ৰামেশ্বৰম পৰিদৰ্শন কৰাত, এই ৰামেশ্বৰম তেওঁলোকৰো এক পৱিত্ৰ তীৰ্থস্থান। তাৰোপৰি, সামুদ্ৰিক-বিদ্যাবিশাৰদসকলৰ পক্ষেও ৰামেশ্বৰম এক মূল্যৱান আকৰ্ষণীয় স্থান। কিয়নো এই ঠাই জলজ-প্ৰাণীৰ আপুৰুগীয়া ভঁৰাল।

ৰমেশ্বৰমৰ দক্ষিণ-পূৰ্বত ধনুষ্কোডি অৱস্থিত, যি ধনুষ্কোডিৰপাৰো শ্ৰীলঙ্কা ক'বলৈ গ'লেএৰিঙৰ বাট।

ধনুষ্কোডিৰ অৰ্থ হ'ল'ৰামৰ ধনু'। এই স্থানৰ ধনুভিৰীয়া

ৰামেশ্বৰম্ মন্দিৰ

ভাৰতৰ অট্টালিকা সমূহৰ দীৰ্ঘতম বাৰাণ্ডা

সাগৰতট দেখাত সাইলাখ ধনুৰ আকৃতিৰ। এই স্থানত থকা কোধানধৰ্মস্বামী মন্দিৰত ৰামচন্দ্ৰ, সীতা, লক্ষ্মণ, হনুমান আৰু ৰাৱণৰ ভ্ৰাতৃ বিভীষণৰো মূৰ্তি আছে। জনশ্ৰুতি এয়ে যে, যি স্থানত বিভীষণে ৰামচন্দ্ৰৰ ওচৰত আত্মমৰ্পণ কৰিছিল, সেই স্থানতে এই মন্দিৰ নিৰ্মিত হৈছিল।

ৰামেশ্বৰমৰ নিচেই ওচৰত আছে আদমৰ সেতু। সমুদ্ৰ পাৰ হৈ লঙ্কালৈ যাবলৈ শ্ৰীৰামচন্দ্ৰই এই সেতু সজাইছিল বুলি কোৱা হয়। ভূতাত্ত্বিকসকলৰ মতে আদমৰ সেতু হিচাপে জনাজাত এই সেতু তথা ভূখণ্ডয়েই আছিল ভাৰতৰ সৈতে তাহানিৰ লঙ্কাৰ যোগাযোগৰ বাবে একমাত্ৰ স্থলপথ। এই স্থলপথ তথা সামুদ্ৰিক মথাউৰি ৩০ মিটাৰ দীৰ্ঘ আৰু এই দীৰ্ঘ স্থলপথ হ'ল সামুদ্ৰিক চলাচলঘটিত বাধাস্বৰূপ।

ধনুষ্কোডিৰ সাগৰপাৰৰ বালিৰ দ'মত থকা এই ঘাঁহক তামিলসকলে 'ৰাৱণ-দাড়ি' বুলি কয়।

রামেশ্বৰমৰপৰা এতিয়া আমি আগ বাঢ়ি বাঢ়ি পক্ প্ৰণালী পামগৈ, আৰু এই পক্-প্ৰণালী নামৰ বহল পানীডোখৰ পাৰ হৈ আমি পামগৈ বঙ্গোপসাগৰৰ দুৱাৰমুখ। ইয়াত, কোদিক্কাৰাল বা পয়িণ্ট ক্যালিমেৰ নামৰ ঠাইত জাক জাক ফ্লেমিংগো নামৰ সমুদ্ৰবিহাৰী চৰাইৰ ডেউকাৰ ধপধপনি সদা-সৰ্বক্ষণ শ্ৰুত হয়। ফ্লেমিংগো বাদেও বিধোবিধ সামুদ্ৰিক পক্ষীৰ মেলাৰে এই ঠাই সদায় মুখৰ হৈ থাকে। ইয়াত এক বিৰাট পাখিৰালয় অৰ্থাৎ পক্ষীৰ অভয়াৰণ্য আছে।



শিৱ-পাৰ্বতীয়ে মহৰ্ষি অগস্ত্যক দৰ্শনদান কৰিছে

কোদিক্কাৰালৰ নিচেই কাষৰীয়া সাগৰপৰীয়া চহৰ এখন বেদাৰণ্যম। ৰাজাগোপালাচাৰীদেৱে ইয়াৰেপৰাই স্বাধীনতা-সংগ্ৰামৰ কালত লৱণ-সত্যাগ্ৰহ আৰম্ভ কৰিছিল। বেদাৰণ্যম শিৱ-দ'লৰ কাৰণেও এক বিখ্যাত স্থান, যি দ'লত শিৱ আৰু পাৰ্বতীক তেওঁলোকৰ বিবাহ-সজ্জা সাজত দেখুউৱা হৈছে। ইয়াতে দেৱাদিদেৱ আৰু পাৰ্বতী তেওঁলোকৰ বিবাহ-সজ্জাতে কৈলাসৰপৰা মহামুনি অগস্ত্যৰ আগত আৱিৰ্ভূত হোৱাহেতুকে বেদাৰণ্যমক 'দক্ষিণ-কৈলাসম' বুলিও কোৱা হয়।



কোদিক্কাৰাল সাগৰবালি

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

ৰাক্ষসে শিকালে অমৃত-ধৰম

চন্দ্ৰশিলা ৰাজ্যৰ ৰজা ভোগবৰ্মা আছিল ভোগাসক্ত আৰু অতি বিলাসী। ৰাজ্যৰ প্ৰজাবৰ্গৰ সুখ-দুখৰ প্ৰতি তেওঁ আছিল উদাসীন। তেওঁৰ প্ৰজা-ৰাইজৰ কুলাই-পাচিয়ে নধৰা দুখলৈ মন-কাণ দিয়াৰ সামাইন ইচ্ছাও তেওঁৰ নাছিল, তেওঁ কেৱল আত্মসুখতহে মগ্ন হৈ থাকিছিল। আনকি ৰাজ্যৰ শাসন কাৰ্য্যলৈকো তেওঁ ঘূৰিও চোৱা নাছিল আৰু তাৰ ফলত বিশেষকৈ ৰাজকৰ্মচাৰীহঁতৰ মাজত পক্ষপাতিতা, ঘোচখোৰীয়ে তাৰ কদৰ্য্য বাহু বিস্তাৰ কৰিব পাৰিছিল। আনকি তেওঁৰ মন্ত্ৰীসকলেও ভেটি নোখোৱাকৈ নাছিল।

এই ৰাজ্যৰ জনজাতীয় গাঁও এখনৰ কোনো-কেও নথকা সিংহবল নামৰ এজন যুৱাই যেতিয়া ৰজাৰ বাহিনীৰ হিঁলৈধাৰীৰ কাম বিচাৰি ৰাজধানীলৈ গ'ল, তেতিয়া জোখে-জোখাৰে ভেটি দিব নোৱৰাত কোনো কাম নোপোৱা হ'ল ; অথচ জনজাতীয় হোৱা সত্বেও সিংহবলত যথেষ্ট যোগ্যতা আছিল, হিঁলৈদাৰীৰ প্ৰশিক্ষণো লৈছিল, আৰু ধনুৰ্বিদ্যাত আছিল ৰাজ্যখনত সৰ্বশ্ৰেষ্ঠ। কিন্তু তথাপি চাকৰি নহ'ল।

তেতিয়া ক্ৰুদ্ধ সিংহবলে থিৰাং কৰিলে যে—এনেহেন অপদাৰ্থ ৰজা আৰু ভেটি খাই খাই উছন হোৱা মন্ত্ৰীহঁতৰ ভৰিত তেল নিদিয়াকৈ অৰণ্যলৈ গৈ জন্তু-জানোৱাৰ চিকাৰ কৰি দহ-টকীয়া হ'বলৈ চেষ্টা দিব। আৰু ভবামতেই সিংহবলে তাৰ ধনু-কাঁড়ৰে অৰণ্যবাসী হ'ল।

কেইবছৰমানৰ অন্তত ৰজা ভোগবৰ্মা অতিপাত ভোগৰ হেতুকে টানৰো টান বেমাৰত পাৰিল আৰু এস দুৰাৰোগ্য বেমাৰৰপৰা সাৰিবলৈ ৰাজবৈদ্যই দণ্ডাকাৰণ্যৰ একেবাৰে উত্তৰসীমাত থকা সুগভীৰ অৰণ্যৰপৰা অমৃতবল্লী নামৰ ঔষধি-

সুন্দৰ ভঁৰালী

বৃক্ষ লৈ আহিব লাগে বুলি ক'লে।

তেতিয়াৰ-কালৰ দণ্ডকাৰণ্য আজিৰ দৰে নাছিল, তেতিয়াৰ দণ্ডকাৰণ্য আছিল অতি ভয়ানক অটব্য অৰণ্য। সেই অৰণ্যত জাক জাক হিংস্ৰৰো হিংস্ৰ বাঘ আৰু বিশাল বিশাল বিষাল ভয়ংকৰ সৰ্পৰ সমদল।

ভোগবৰ্মা ৰজাৰ কোঁৱৰ সুখবৰ্মাই ভাবি ভাবি অমৃতবল্লী বৃক্ষ আনিবলৈ জনজাতীয় সেই যুৱা অৰণ্যবাসী সিংহবলৰ সহায় লোৱাটোকে খাটাং কৰিলে।

সুখবৰ্মাই অৰণ্যবাসী সিংহবলক মতাই অনালে আৰু তাক ক'লে, "সিংহবল, মহাৰাজ যে এক দুৰাৰোগ্য বেমাৰৰ কবলত পৰি পাটী লৈছে—তুমিও নিশ্চয় শুনিছা। ৰাজবৈদ্যৰ মতে দণ্ডকাৰণ্যৰ উত্তৰ সীমাত থকা অমৃতবল্লী বৃক্ষ কেনেবাকৈ লৈ আহিব পাৰিলেহে মহাৰাজ ভাল হৈ উঠিব পাৰে। কিন্তু সেই ব্যাঘ্ৰ-সৰ্পৰ ভঁৰাল ভয়াল অৰণ্যৰপৰা অমৃতবল্লী গোটাই অনাৰ সাধ্য বা সাহস আমাৰ নাই। এই দুৰূহ কামত তোমাৰ সহায় লাগে। এই সহায়ৰ কাৰণে তোমাক যিমান ধন লাগে দিয়া যাব।"

সিংহবলে ক'লে, "যুৱৰাজ, ধনৰ কথা দুনাই নক'লেই মই ভাল পাম। পৰোপকাৰ যে মানৱীয় ধৰ্ম আমিও জানো। এতেকে মই মোৰ কৰ্তব্য কৰিবলৈ সাজু।"

পাছদিনা ধলপুৱাতে দুয়ো দুটা ঘোঁৰাত উঠি গৈ গৈ দণ্ডকাৰণ্য পালেগৈ। তাৰ পাছত অৰণ্যৰ বুকু ফালি ফালি বহু কষ্টেৰে এদিন দণ্ডকাৰণ্যৰ উত্তৰসীমাও পালেগৈ।

সিংহবলে উছাহেৰে সৈতে কৈ উঠিল, "যুৱৰাজ, আমি ৰাজবৈদ্য-নিৰ্দেশিত ঠাইডোখৰ পালোঁহিয়েই। ৰাজবৈদ্যৰ বৰ্ণনামতেঅমৃতবল্লী বৃক্ষএহাততকৈ অধিক ওখ নহ'ব। কিন্তু ঘোৰাৰ পিঠিত বহি আমি সেই বৃক্ষ বিচাৰি উলিয়াব নোৱাৰিম, খোজকাঢ়ি গৈ গৈ বিচাৰি উলিয়াব লাগিব।" ঘোঁৰাৰপৰা নামি আহি দুয়ো অমৃতবল্লীবৃক্ষ বিচৰাত লাগিল। বহু সময় ধৰি বিচৰাৰ অন্তত দুয়ো গৈ গৈ যি ঠাই পালেগৈ—তাত থকা বিৰাট গুহা এটাত ৰক্তবৰ্ণ নামৰ দুৰ্দ্ধৰ্ষ ৰাক্ষস এটা বাস কৰিছিল।

ৰাক্ষস ৰক্তবৰ্ণ আছিল ৰাক্ষস সম্প্ৰদায়ৰ মাজত উত্তম শ্ৰেণীৰ ৰাক্ষস। তাৰ উপৰিপুৰুষহঁতেই আছিল দণ্ডাকাৰণ্যৰ অধিপতি। নিম্নশ্ৰেণীৰ ৰাক্ষসহঁতৰ দৰে 'যাকে পাওঁ তাকে খাওঁ'নীতিক ৰক্তবৰ্ণই ঘৃণা কৰিছিল। দৰাচলতে ৰক্ষস ৰক্তবৰ্ণই মানুহ মাৰি নাখাইছিল।

কিন্তু তথাপি ৰাক্ষসৰ তেজত থকা লোভ তাৰ মাজতো নথকা নাছিল। আৰু সেইহে একেলগে দুটা মানুহক দেখা পাই ৰক্তবৰ্ণ লৰৰি আহি থাকিল।

তেতিয়া ধাৰৰ নল কঁপা দিয়া যুৱৰাজে সিংহবলক ক'লে, "সিংহবল, এতিয়া এই অপায়ৰপৰা সাৰিবৰ উপায়? ৰাক্ষসটোৰ হাতত আমাৰ মৃত্যু নিশ্চিত যেন পাইছোঁ। এতিয়া এই বিপদত কেৱল ভগৱানেহে আমাক ৰক্ষা কৰিব পাৰে।"

সিংহবলে ক'লে, "যুবৰাজ, ৰাজ্যখনৰ সকলো ৰাইজেই জানে যে আপোনাৰ পিতাদেউ আত্মসুখসৰ্বস্ব, আৰু আপুনিও হিংস্ৰ। এই ৰাক্ষসটোও আপোনাৰ দৰেই হিংস্ৰ বুলি মই শুনিছিলোঁ। গতিকে এই অৱস্থাত কিনো কৰিম ? যিহওককেৱল ভগৱানৰ ওপৰত ভৰসা নকৰি খাপৰপৰা তৰোৱাল উলিয়াওক।"

এই বুলি কৈয়েই সিংহবলে ধনু-কাঁড় লৈ ৰাক্ষসটোক বাধা দিবলৈ সাজু হ'ল।

ৰক্তবৰ্ণ ৰাক্ষসে কৈ উঠিল, "তোমালোকে কাণ পাতি শুনা। মই মোৰ মৃত্যুৰ আগতে মাত্ৰ এজন মানুহক খাম আৰু

ৰাক্ষসধৰ্ম পালন কৰিম—এয়ে আছিল মোৰ ধৰ্ম-শপত। এতিয়া তোমালোকেই কোৱা, তোমালোক মাজত কাক খাম।"

তেতিয়া সিংহবলে ৰক্তবৰ্ণক ক'লে, "হে ৰাক্ষসোত্তম, তোমাৰ মাজত ধৰ্ম-অধৰ্মৰ চিন্তা তথা বিবেকবোধ থকা দেখি মই অতি বিস্মিত হৈছোঁ। এতিয়া শুনা। আমাৰ দেশৰ মহাৰাজ মৃত্যুৰ সম্মুখীন। কেৱল অমৃতবল্লী বৃক্ষইহে মহাৰাজক সুস্থ কৰি তুলিব পাৰে। এই অমৃতবল্লী বিৰিখ বিচাৰিহে আমি দুয়ো তোমাৰ অৰণ্যৰাজ্যলৈ আহিলোঁ। তুমি যদি দয়া কৰি আমাক অমৃতবল্লী বৃক্ষ বিচাৰি উলিউৱাত সহায় কৰাঁ, তাৰ পাছত মই নিজেই তোমাৰ খাদ্য হ'ম, তোমাৰ সেই ধৰ্ম-শপত পালনত কোনো

বাধা নাথাকিব।" তাৰ পাছত যুৱৰাজলৈ আঙুলিয়াই পুনৰ ৰাক্ষসটোক ক'লে, "এওঁ হ'ল আমাৰ দেশৰ যুৱৰাজ, পিতৃ মহাৰাজক বচাবলৈ এওঁ মোৰ লগত অৰণ্যলৈ আহিল আৰু এখেতৰ মৃত্যুমুখী পিতৃক তেওঁৰ দুৰাৰোগ্য ব্যাধিৰপৰা সুস্থ কৰি তোলাৰ কাৰ্য্যত সহায় কৰিবলৈ—এখেতৰ সৈতে আহিলোঁ মই।"

ৰক্তবৰ্ণই ক'লে, "যুৱৰাজ, তোমাৰ দেশৰে প্ৰজাএজন সাধাৰণ নাগৰিকক মোক খাবলৈ দিয়াটো তোমাৰ পক্ষে উচিত কাম হ'বনে ?"

পাছ মুহূৰ্ততে যুৱৰাজ সুখবৰ্মাই ৰাক্ষস ৰক্তবৰ্ণৰ আগত আঁঠু লৈ ক'লে, "হে ৰাক্ষসোত্তম, তুমি মোৰ প্ৰকৃত জ্ঞানোদয় কৰিলা। মোৰ পিতাদেউ, আৰু ময়ো আনৰ কথা সমূলি চিন্তা নকৰা আত্মস্বাৰ্থী মানুহ এই কথাত মোৰ আৰু কণমাত্ৰো সন্দেহ নাই। তুমি ৰাক্ষস, কিন্তু তোমাৰ মাজতো যি ধৰ্মজ্ঞান আছে, আমাৰ তথা মানৱ-সমাজৰ বহুতৰে মাজতেই সেই ধৰ্মজ্ঞান নাই। মই নিজেই নিজৰ দণ্ড বিহিম। তুমি দয়া কৰি এই যুৱাৰ হাতত অমৃতবল্লী বৃক্ষ প্ৰদান কৰি এওঁক ৰাজধানীলৈ পঠাই দিয়া, আৰু তাৰ পাছত লাগিলে মোক খোৱা।"

সুখবৰ্মাৰ কথা শুনি ৰাক্ষসে হো হো কৰে হাঁহিলে আৰু তাৰ পাছত ক'লে, "শুনা, মানুহ হৈ জনমি ৰাক্ষসৰ মাজত যে এতিয়া দয়া, ধৰ্ম আদি বিচাৰছা—এইবোৰ গুণ দৰাচলতে ৰাক্ষস-ধৰ্ম-বিৰোধী। যি কি নহওক, তোমাৰ আৰু তোমাৰ দেউতাৰৰ কথা চিন্তি মোৰ মনত পুতৌ জাগিছে। ব'লা, মই তোমালোকক অমৃতবল্লী বিৰিখ নিজেই বিচাৰি দিম। আৰু আগলৈতুমি আৰু তোমাৰ পিতাদেৱে নিজক প্ৰকৃততে অমৃতৰ সন্তান ৰূপে যদি গঢ়ি তুলিব পাৰা, ৰাজ্যৰ ৰাইজে, তথা মইহেন নীহ্ ৰাক্ষসেও নিশ্চয়ই নথৈ আনন্দ লভিম।"

এই বুলি কৈয়েই সেই ৰক্তবৰ্ণ ৰাক্ষস চকুৰ পচাৰতে সেই সুগভীৰ অৰণ্যলৈ সোমাই গ'ল।

ৰক্তবৰ্ণ ৰাক্ষসে যুৱৰাজ সুখবৰ্মাক অমৃতবল্লী দিয়াৰ উপৰিও দণ্ডকাৰণ্যৰ সীমা পাৰ কৰি নিৰ্বিঘিনিৰে যাবলৈ দিছিল।

সোণালী দুৱাৰ – ৯

কোৱালা ভালুকৰ পোৱালি ক'তনো পাৱা বিচাৰি...

...কোৱালা ভালুক..?

কোৱালা ভালুকৰ পোৱালিবোৰ ক্যাঙ্গাৰুৰ পোৱালিবিলাকৰ দৰেই ওপোজাৰ প্ৰথম ছমাহলৈ মাকৰ পেটৰ তলত থকা টোটোলাত থাকে, মাত্ৰ খোৱাৰ পৰতে টোটোলাৰপৰা ওলায়। ইহঁতে ইউক্যালিপটাছ গছৰ কোমল পাত খায়। কোৱালা ভালুকৰ পোৱালি ক'ত দেখা পোৱা যায় ?

...কণমানি জলকুঁৱৰী

অমৰ শিশু-সাহিত্যিক হান্‌ছ্ ক্ৰিস্টিয়ান অ্যাণ্ডাৰছেনৰ স্মৃতিৰ উদ্দেশ্যে এক কণমানি জলকুঁৱৰী স্থাপিত হৈছে। পিতলেৰে সজা এই মূৰ্তি কোনোবা এখন বন্দৰৰ প্ৰবেশ দ্বাৰত আছে। ক'তনো ?

...মমৰ জাদুঘৰ

এই অভিনৱ জাদুঘৰ ১৮৩৪ চনত মাৰী তুছাদ নামৰ এগৰাকী ফৰাছি মহিলাই প্ৰতিষ্ঠা কৰিছিল। এই জাদুঘৰত মমেৰে সজা বিখ্যাত আৰু লগতে অখ্যাত সকলৰো প্ৰতিমূৰ্তি আছে। এই জাদুঘৰ ক'ত অৱস্থিত ?

সোণালী-দুৱাৰৰ দলং

সোণালী-দুৱাৰৰ (গ'ল্ডেন-গে'ট) দলঙক পৃথিৱীৰ সাৱাতোকৈ সুদৃশ্য দলং বুলি কোৱা হয়। ১২২০ মিটাৰ দীঘল এই দলংখন ১৯৩৭ চনত সজা হৈছিল। এইখন সুদৃশ্য দলং পাৰ হৈ ক'লৈনো যাব পাৰি ?





মূৰ-ঘমোৱা

১. দুজন আৰৱীয়ই এঠাইলৈ যাবলৈ ওলাইছিল। এজনৰ ওচৰত আছিল তিনিখন ৰুটি আৰু সিজনৰ ওচৰত পাঁচখন। বাটত আন এজনৰ লগত ভেটাভেটি। কিন্তু সেইজনৰ ওচৰত ৰুটি নাছিল, অথচ ভোকত সি জলাকলা দেখিছিল। আগৰ দুজনে আগন্তুক তৃতীয়-জনকো ৰুটি খাবলৈ ক'লে আৰু তিনিও মিলি সমান ভাগেৰে ৰুটি আঠোখন খালে। পাছত তৃতীয়জনে নিজৰ ভাগৰ ৰুটিৰ দাম হিচাপে আঠ দিনাৰ (মুদ্ৰা) দি তাৰপৰা গুচি গ'ল। এতিয়া সেই মুদ্ৰাখিনি আৰৱীয় দুজনৰ মাজত কিমানকৈ ভগাই ল'লে ন্যায্য ভাগ হ'ব ?

২. সৰু ছাতি এটাৰ তলত তিনিজন শকত-আৱত মানুহ ঠেলা-হেঁচাকৈ গৈ থাকিল। কিন্তু তিনিজনৰ কোনো এজনো নিতিতিল। কেনেকৈকেনো ?

৩. জাৰ্মানদেশৰ মানুহে কলৰ বাকলিৰে কিনো বনায় ?

৪. এখন বাছ খালী হৈ থকা অৱস্থাত গৈ থাকিল। প্ৰথমে য'ত ৰ'লগৈ, তাৰপৰা ১৬ জন যাত্ৰী বাছখনত উঠিল। তাৰ পাছৰ স্টপত ৭ জন উঠিল, ৩ জন নামিল। তাৰ পৰৱৰ্তী স্টপত ৯জন বাছত উঠিল, ৫ জন নামিল। পাছত আৰু ৫ জন উঠিল, আৰু ৩ জন নামিল। শেষ স্টপত ২ জন নামিল। সৰ্বমুঠ কিমান স্টপত বাছখন ৰৈছিল ?

৫. তিনিখন ৰুমালৰ দুখন বগা এখন ৰঙা। ৰুমালবিলাক ইখনৰ সৈতে সিখন বন্ধা। বগা দুখন গাঁঠিসে বন্ধা, ৰঙাখন মাজতে আছে। গাঁঠি নোসোলোকোৱাকৈ ৰঙাখনক বগা দুখনৰ সোঁমাজত আনিবলৈ হ'লে কি কৰিব লাগিব ?

৬. শব্দৰ বাধা ভংগ কৰিবলৈ মনুষ্য-নিৰ্মিত প্ৰথম বস্তু কি ?

৭. মুহূৰ্তমানৰ আগতে পানীৰে ভৰা গিলাছটোত মই টুকুৰিউৱাত পানী এটোপাও নপৰিল কিন্তু মেজত থকা কাপোৰডোখৰ তিতিল। কেনেকৈনো ?

৮. যুদ্ধত ধ্বংস হোৱা গাঁও এখনৰ কিছুমান জীয়াই থকা মানুহে দিনেপ্ৰতি এলিটাৰকৈ পানী পি-খালে ১৩ দিনলৈ খাব পাৰিব বুলি হিচাপ কৰি চোৱা হ'ল। পাঁচ দিনৰ দিনা হঠাৎ অলপমান পানী তললৈ পৰি নষ্ট হ'ল। সেই দিনা নিজৰ ভাগৰ পানীখনি খোৱাৰ অন্তত এজন ঢুকাল। তাৰ পাছত আনবিলাকে নিজৰ নিজৰ ভাগৰ পানী খাই থাকিল। হিচাপ মতেই তেৰ দিনলৈ এওঁলোকে পানী খাবলৈ পাইছিল। কিমানখিনি পানী তললৈ পৰি নষ্ট হৈছিল ?

৯. ন্যায়ালয়ৰ নাট :

বাছেৰে গৈ থাকোঁতে বাছখনে হঠাৎ ৰৈ দিয়াত বলৱন্ত শৰ্মাই হাতত বৰকৈ আগাত পালে। পাছত তেওঁ বাছৰ মালিকৰ বিৰুদ্ধে আদালতত গোচৰ তৰিলে আৰু তেওঁ তেওঁৰ বেয়াকৈ আঘাত পোৱা সোঁহাতখনৰ বাবে ১০ লাখ টকা ক্ষতিপূৰণ দিবলৈ দাবী জনালে। বাছৰ মালিকৰ উকীলে গুচৰীয়া বলৱন্ত শৰ্মাক সুধিলে যে তেওঁ তেওঁৰ সোঁহাতখন কিমান ওপৰলৈ দাঙিব পাৰে। বলৱন্ত শৰ্মাই হাতখন কান্ধলৈকে দাঙি দেখুৱালে, তেতিয়া মটৰ-মালিকৰ উকীলে শৰ্মাক পুনৰ ক'লে, "দুৰ্ঘটনাৰ আগতে এই হাতখন কিমান ওপৰলৈ দাঙিব পাৰছিল ?"

শৰ্মাই তেওঁৰ মূৰৰ ওপৰলৈকে হাতখন দাঙি দিলে। তেতিয়া মটৰ-মালিকৰ উকীলে বিচাৰকক ক'লে, "চাওক, এই মানুহজন কিমান যে মিছলীয়া। এওঁৰ হাতত যে একোৱেই নাই হোৱা তাৰ দেখ দেখ প্ৰমাণ এওঁ নিজেই দিলে। এতেকে এই মোকৰ্দমা খাৰিজ কৰা হওক — এয়ে মোৰ আবেদন।"

কিন্তু বিচাৰকে উকীলৰ আবেদন মঞ্জুৰ নকৰিলে। কিয় মঞ্জুৰ নকৰিছিল ?

সোণালী দুৱাৰ-৮-অৰ উত্তৰসমূহ :

১. ৰাজস্থানৰ ৰণকপুৰত আদিনাথ মন্দিৰ অৱস্থিত। ২. অমৰনাথ কাশ্মীৰত অবস্থিত।

৩. ঈস্টাৰ দীপৰ আদিবাসী।

চেষ্টা কৰি চোৱা !

দেহৰ বাগৰ

এই কৌশলেৰে এটি সৰু বলৰে সৈতে দেহৰ বাগৰা-বাগৰি কৰিব পাৰি :

(ক) এটা টেনিছ বল সোঁ হাতত লোৱাঁ।

(খ) হাত দুখন মেলি দি ইংৰাজি 'T' আখৰৰ দৰে থিয় হোৱাঁ।

(গ) এতিয়া বলটোক তোমাৰ সোঁহাতৰ ওপৰেদি বাগৰি আহিবলৈ দিয়াঁ, বলটোৱে তোমাৰ বুকুৰ ওপৰেদি বাগৰি বাগৰি বাঁও হাতৰ ওপৰেদি গৈ থাকিব আৰু তুমি একাদিক্ৰমে সোঁৱে বাঁৱে অলপকৈ হালি-জালি থাকা যদি বলটোৰ লগে লগে তোমাৰ দেহও ছন্দে ছন্দে আনন্দৰে বাগৰি থাকিব।

এটা টেডি-ভালুকৰ মূৰ্তি

লাগতিয়াল বস্তুবোৰ :

এটা পুৰণা প্লাস্টিকৰ টেডি-ভালুক, কিছুখিনি প্লাস্টাৰ অব্ পাৰিছ, এযোৰ কেঁচি, এডাল জৰী, অলপমান ৰং।

বনোৱাৰ পদ্ধতি :

১. প্লাস্টিকৰ ভালুকটোক থিয়ভাৱে দুটুকুৰা কৰাঁ।

২. প্লাস্টাৰ অব্ পাৰিছত পানী মিহলাই লুথুৰিৰ দৰে কৰাঁ।

৩. এইবাৰ কাটি থৈ দিয়া ভালুকৰ টুকুৰা দুটাৰ সাজত লুথুৰি ভৰাই দুয়োটা টুকুৰাক এক কৰি জৰীৰে কটকটীয়াকৈ বান্ধা।

৪. প্লাস্টাৰ অব্ পাৰিছ গোট মাৰি টান নোহোৱালৈকে একাষত থৈ দিয়াঁ।

৫. এতিয়া লাহে লাহে টেডি-ভালুকৰ প্লাস্টিকৰ টুকুৰা দুটা আঁতৰাই দিলেই প্লাস্টাৰ অং পাৰিছৰ ভালুকটো ওলাই পাৰিব।

৬. এইবাৰ ভালুকটোৰ চকু, নাক আৰু মুখত ৰং সানি লোৱাঁ। বছ, হৈ গ'ল তোমাৰ তৈয়াৰী টেডি-ভালুক।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996



মহাভাৰত

বনবাসৰ এবছৰ পূৰ হ'ল আৰু, তেতিয়া অৰ্জুন ইন্দ্ৰলোকলৈ গ'ল। তাত অৰ্জুনে পঞ্চবৎসৰ অতিবাহিত কৰিলে আৰু ইন্দ্ৰলোকৰপৰা উভতি চাৰি বৎসৰকাল গন্ধমাদন পৰ্বতপ্ৰান্ততে যাপিলে। তিমানতে পাণ্ডৱসকলৰ বনবাসৰ দহ বৎসৰ অতিক্ৰান্ত। আৰু চাওঁতে চাওঁতে বনবাসৰ দ্বাদশ বৎসৰো পূৰ্ণ হ'বৰ হ'ল। আৰু তাৰ পাছত আৰু এবছৰলৈ অজ্ঞাতবাসৰ অন্তত পাণ্ডৱে কৌৰৱৰ অন্যায় পাশটি খেলৰ ফলাফলৰ প্ৰতিশোধ ল'বলৈ সাজু হ'ব। ভীমে এহি মতামত প্ৰকাশ কৰাত অৰ্জুন, নকুল, সহদেৱেও ভীমৰ মতলৈ সমৰ্থন জ্ঞাপিলে। কিন্তু ধৰ্মৰাজে তেতিয়া দেৱপ্ৰান্ত এৰি গুচি যাবলৈ মত প্ৰকাশ কৰিলে। ভীমে ঘটোৎকচক সোঁৱৰামাত্ৰকে অনুচৰহঁতক লগত লৈ ঘটোৎকচ উপস্থিত হ'ল, আৰু পাণ্ডৱসকলক বৃষপৰ্বৰ আশ্ৰমলৈ লৈ গ'ল। তাত অতি মনমোহা অৰণ্যত তেওঁলোকে মাসাধিককাল যাপিলে আৰু তাৰ পাছত গৈ গৈ হিমালয়ৰ নামনি বিশাখযূপ পালেগৈ।

এই অঞ্চল দৰাচলতে চিকাৰীহঁতৰ স্বৰ্গৰাজ্য। আন কোনো কাম নাপাই ভীমো চিকাৰত লাগি পৰিল।

কিন্তু চিকাৰত মগ্ন হৈ থকা ভীমক এদিন হঠাৎ এক মহাসৰ্পই মেৰিয়াই ধৰিলে। সেউজীয়া বৰণৰ এই মহাসৰ্প দেখাত আছিল আতি ভয়ংকৰ, তাৰ মুখ-বিবৰ এটা গুহাৰ দৰে, আৰু আছিল চাৰিটা জোঙা জোঙা দাঁত। ভীমে—সহস্ৰ হস্তীৰ শক্তিমান ভীমে সেই মহাসৰ্পৰ বন্ধনৰপৰা মুক্ত হ'বলৈ প্ৰাণপণ চেষ্টা চলালে, কিন্তু ভীম সমূলি ব্যৰ্থ হ'ল। ভীম তেওঁৰ জীৱনত এয়েহে প্ৰথমবাৰৰ বাবে ভয়াতুৰ হৈ পৰিল।

'মহাৰাজ ধৃতৰাষ্ট্ৰৰ সত্যোপলব্ধি'



ইপিনে সময় অতিক্রান্ত হোৱা সত্বেও ভীম উভতি নহাত ভীমক বিচাৰি ধৰ্মৰাজ ওলাই পৰিল আৰু বিভিন্ন জন্তু-জানোৱাৰ চিকাৰ কৰি ভীমে দ'মাই থোৱা বাটেৰে গৈ থাকিল। কিছু সময়ৰ অন্তত হঠাৎ ধৰ্মৰাজে মহাসৰ্পই মেৰিয়াই ধৰি থকা ভীমক দেখা পাই স্তৱ হৈ ৰৈ দিলে আৰু তাৰ পাছত মহাসৰ্পক ক'লে, "হে সৰ্পৰাজ, তোমাক যদি আহাৰ্য্য লাগে — জোখে-জোখাৰে দিয়া যাব। তুমি মোৰ ভাতৃক এৰি দিয়া।"

মহাসৰ্পই ক'লে, "মহাশয়, তোমাৰ ভ্ৰাতা বিধিৰ ইচ্ছাতে মোৰ কবলত পৰিল। মই একোপধ্যেই তাক নেৰোঁ।"

সৰ্পৰ দৰ্পভৰা উত্তৰত অতি বিস্মিত হৈ পৰা ধৰ্মৰাজে সুধিলে, "হে সৰ্পৰাজ, প্ৰকৃততে তুমিনো কোন — ক'বানে ?"

"মই তোমালোকৰে পূৰ্বজ, মই নহুষ। মই চন্দ্ৰৰ সপ্তম পীৰি। জীৱনকালত মই অনেক পুণ্যকাৰ্য্য কৰিছিলোঁ আৰু সেই পুণ্যকাৰ্য্য আৰু কঠোৰ তপস্যাৰ শক্তিৰে ইন্দ্ৰ-পদ লভিছিলোঁ। ইন্দ্ৰ-পদ প্ৰাপ্ত হৈ মই দাম্ভিক হ'লোঁ, আৰু মই মোৰ ক্ষমতাৰ সীমা লংঘন কৰিলোঁ। ব্ৰাহ্মণক অসন্মান কৰিলোঁ, অগস্ত্যমুনিয়ে মোক সৰ্পলৈ ৰূপান্তৰিত হোৱাৰ অভিসম্পাত দিলে, কিন্তু পাছত কৃপা কৰি মোক মোৰ পূৰ্বস্মৃতিৰ ক্ষমতা দিলে, আৰু দিলে অসীম শকতি। তেওঁ ইয়াকো ক'ল যে—যিজনে মোৰ প্ৰশ্নৰ সঠিক উত্তৰ প্ৰদানিব, তেবেঁই মোক অভিশাপমুক্ত কৰিব।" মহাসৰ্পই ধৰ্মৰাজৰ প্ৰশ্নৰ উত্তৰত ক'লে।

"কিনো তোমাৰ প্ৰশ্ন ?"

ধৰ্মৰাজৰ প্ৰশ্নৰ উত্তৰত মহাসৰ্পই সুধিলে, "ব্ৰাহ্মণ কোন ? প্ৰকৃত ব্ৰাহ্মণে কি কথা জনা আৱশ্যক ?"

ধৰ্মৰাজে ক'লে, "যিজনৰ মাজত সত্য, দান, সহ্যশক্তি, তপস্যা, দয়া, কৰুণা আদি গুণ বিদ্যমান সেইজনেই প্ৰকৃত ব্ৰাহ্মণ। আৰু প্ৰকৃত ব্ৰাহ্মণে পৰমব্ৰহ্মতত্ত্বজ্ঞানী হ'ব লাগে।"

মহাসৰ্পই সুধিলে, "যদি কোনোবা শূদ্ৰই এইবোৰ গুণৰ অধিকাৰী হয়, তাকো



সৈতে এই গুণ ওতপ্ৰোত। এনেবোৰ গুণৰ অধিকাৰী যেই সম্প্ৰদায়ৰে নহওকতেওঁ ব্ৰাহ্মণএই কথা স্বয়ং মনুৱে বহু বহু কালৰ আগতেই কৈ গৈছে।”

তেতিয়া মহাসৰ্পই ক’লে, “তোমাৰ সমিধানে মোক সন্তৃপ্ত কৰিলে। তোমাৰ ভ্ৰাতাক মই গিলি নাখাওঁ।” এই বুলি কোৱাৰ লগে লগেই মহাসৰ্প শাপমুক্ত হৈ পুনৰ নহুষৰ ৰূপ প্ৰাপ্ত হ’ল আৰু স্বৰ্গৰপৰা উৰি অহা ৰথোপৰি আৰোহণ কৰি স্বৰ্গলৈ গুচি গ’ল।

বৰ্ষাঋতুৰ অন্তলৈকে পাণ্ডৱসকল দ্বৈতবনতে থাকিল, আৰু তাৰ পাছত ব্ৰাহ্মণসকলৰে সৈতে কাম্যকানলৈ আহিল। তাত থকা ঋষিসকলে পাণ্ডৱসকললৈ আদৰণি জনালে।

পাণ্ডৱক চাবলৈ সত্যভামাক লগত লৈ শ্ৰীকৃষ্ণও তালৈ আহিল। সকলো পাণ্ডৱৰ উপস্থিতিত শ্ৰীকৃষ্ণই ধৰ্মৰাজক ক’লে, “যদ্যপি ইমান বৎসৰ ধৰি অৰণ্যয়েই তোমাৰ নিবাসস্থান, তথাপি, তুমি আৰণ্য-ধৰ্ম পালন নকৰিলা, ৰাজধৰ্মহে পালন কৰিলা। তোমাৰ ধৰ্মৰাজ নাম সাৰ্থক নাম। তোমালোকৰ বনবাসকালৰ সমাপ্তিৰ লগে লগেই স্বাৰ্থী কপট ঈৰ্ষালু কৌৰৱক সমুচিত শিক্ষা দিয়াত তথা সমূল উৎপাৰ কৰাত মই তোমালোকক অৱশ্যেই সহায় কৰিম, আৰু নিশ্চয় তোমাক ৰাজপদ প্ৰদান কৰিম।”

ব্ৰাহ্মণ বুলি কোৱা হ’বনে?”

“যেইজন মানৱত সত্য, দান, দয়া আদি গুণ থাকিব সেইজন কদাপি শূদ্ৰ নহয়। আৰুযদিহে কোনো ব্ৰাহ্মণ বংশজৰ মাজত এইবোৰ গুণ নথকা হয়—তেওঁকো ব্ৰাহ্মণ বুলি কোৱা নাযাব।” ধৰ্মৰাজে ক’লে।

“সত্যতা-সদাচাৰিতায়েই যদি সৰ্বোত্তম, তেনহ’লে বৰ্ণাশ্ৰমৰ আৱশ্যকতা কি?” মহাসৰ্পই সুধিলে।

ধৰ্মৰাজে ক’লে, “জন্ম-মৃত্যু তথা সন্তান-সন্ততিৰ জন্ম দান সৰ্বমানৱৰ পক্ষেই সমান আৰু সহজ কথা। কিন্তু পূৰ্ব-জাতি-সাঙ্কৰ্য্যহেতু বৰ্ণ-বিভাজন অৱশ্যম্ভাৱী হৈ পৰিল। বেদজ্ঞান এক মুখ্য গুণ। সদ্‌জ্ঞানৰ

তাৰ পাছত শ্ৰীকৃষ্ণই দ্ৰৌপদীলৈ ঘূৰি চাই ক'লে, "পাঞ্চালী, দুৰ্য্যোধনৰ আয়ু-চাউল টুটিবৰ হ'ল। তোমাৰ সন্তান-সন্ততিহঁতক সুভদ্ৰাই চোৱা-মেলা কৰা হৈছে, আৰু প্ৰদ্যুম্নই সিহঁতক ধনুৰ্বিদ্যাৰ শিক্ষা প্ৰদান কৰিব ধৰিছে।"

ধৰ্মৰাজে কৃষ্ণক প্ৰণাম কৰিলে, আৰু ক'লে, "হে কৃষ্ণ, তুমিয়েই আমাৰ ধৰ্মৰ আধাৰ। আমাৰ বনবাসৰ অন্তত এক বৎসৰকাল অজ্ঞাতবাস সমাপ্তিৰ লগে লগে তুমিয়েই হ'বা আমাৰ মাৰ্গ-প্ৰদৰ্শক। যি কৰিম — তোমাৰ আজ্ঞাতে কৰিম।"

ইপিনে সত্যভামাই দ্ৰৌপদীক কৈ আছিল, "তোমাৰ পতি শূৰ-বীৰ, দিক্‌পাল বুলিয়েই ক'ব পাৰি। এই কথা ভাবিলেই বিস্ময় লাগি যায় যে এনেহেন শূৰ-বীৰ পঞ্চপতিক তুমি কেনেকৈনো তোমাৰ প্ৰতি নিষ্ঠাৱান কৰি ৰাখিছা? তেওঁলোকে কদাপি তোমাক দুখ-কষ্ট নিদিয়ে, তুমি দুখ পাব পৰা কোনো কাৰ্য্য কদাপি নকৰে। তুমি কি তোমাৰ পঞ্চপতিক তোমাতে আকৰ্ষিত হৈ থকাৰ কাৰণে কোনোবা দেৱতা বা দেৱীলৈ প্ৰাৰ্থনা কৰিছা? নে মন্ত্ৰ-তন্ত্ৰৰ সহায় লৈছা? যদি সেয়ে হয়—মোকো সেই ৰহস্যৰ গুৰিকথা শিকাই দিয়া। মোৰ পতিৰ কথা তুমি নিশ্চয়েই জানা।"

সত্যভামাৰ কথাৰ উত্তৰত দ্ৰৌপদীয়ে ক'লে, "পতিৰ ওপৰত মন্ত্ৰ-তন্ত্ৰৰ প্ৰয়োগ কেৱল লেতেৰা তিৰোতাইহে কৰিব পাৰে, কৃষ্ণ-পত্নীয়ে কৰিব নোৱাৰে। মোৰ বিষয়ে তোমাৰ মনত যি প্ৰশ্নই মূৰ দাঙিছে সি-ও অমূলক। পত্নীয়ে মন্ত্ৰ-তন্ত্ৰৰ সহায় লৈ পতিক সেও মনাব খুজিলে তেনেহেন পত্নীক সৰ্পিণী বুলি নাভাবিবনে? পাণ্ডৱসকলে মোৰ প্ৰতি সস্নেহ ব্যৱহাৰ কৰাৰ গুৰিত আছেমোৰ উচ্চাকাঙ্ক্ষাহীনতা। মই কোনো অনাৱশ্যক দাবী নজনাওঁ, বা মোৰ কিছুমান প্ৰয়োজন পূৰণ নহ'লেও মই বিতুষ্ট নহওঁ, বিৰোধ নকৰোঁ। মই অকাৰণে হাঁহোঁ, আনকি কাৰণ থাকিলেও দুখ-বেজাৰ প্ৰকাশ নকৰোঁ। সই সকলোৰে কুশল মংগলৰ বাবে দিনে-নিশাই কৰ্তব্যকৰ্ম

কৰোঁ। চমুকৈ, পাণ্ডৱ-পৰিয়ালখনৰ পৰিপূৰ্ণ দায়িত্বভাৰ মই আনন্দৰেই কঢ়িয়াওঁ। আৰু এই কাৰণে মোৰ পঞ্চ-পতিয়ে মোক ইমান স্নেহ-মৰম কৰে।”

দ্ৰৌপদীৰ কথা সত্যভামাই একেথিৰে-একমনে শুনিলে আৰু ক'লে, “তোমাক সেই ধৰণে সুধি মই নিশ্চিতৰূপেই অনিয়ায় কৰিলোঁ। এতিয়া তাৰ বাবে মোৰ হৃদয় অনুতাপদগ্ধ হৈছে। এতিয়া মই মোৰ ত্ৰুটিও জনা হ'লোঁ। মোৰ মাজত সেৱা-ভাৱৰ অভাৱ, ঈৰ্ষাৰ জুই মোৰ অন্তৰত উমি উমি পোৰে, মোৰ ইচ্ছা পূৰণ নহ'লে মই বেজাৰেৰে মুখ ওলোমাই থাকোঁ। তুমি আজি মোৰ চকু মুকলি কৰিলা, তোমাৰ প্ৰতি মই মোৰ ওলগনি জনাইছোঁ।”

পাণ্ডৱসকলৰ সমীপলৈ অহা মহামুনি মাৰ্কণ্ডেয়, শ্ৰীকৃষ্ণ, সত্যভামা আৰু অন্য অন্যসকলেও পাণ্ডৱসকলৰ অনুমতি লৈ নিজ-নিজ গন্তব্যলৈ গুচি গ'ল।

আৰু তাৰ পাছত পাণ্ডৱসৱে কাম্যকবন এৰি পুনৰ দ্বৈতবনলৈ বুলি আগ বাঢ়িল।

পাণ্ডৱসকল দ্বৈতবনত বসবাস কৰি থাকোঁতে এগৰাকী ব্ৰাহ্মণ তাৰপৰা পদব্ৰজে হস্তিনাপুৰলৈ গ'ল আৰু মহাৰাজ ধৃতৰাষ্ট্ৰৰ সমীপস্থ হৈ ধৃতৰাষ্ট্ৰক ক'লে, “মহাৰাজ, মই দ্বৈতবনৰপৰা আপোনাৰ সমীপলৈ অহা হৈছোঁ। তাত—দ্বৈতবনত যে বনবাসী পাণ্ডৱসকল অধিষ্ঠান কৰিছে, আপুনি নিশ্চয়েই সেইকথা জ্ঞাত। পাণ্ডৱসকল তাত অন্য অন্য অতিপাত দুৰ্দশাৰ উপৰিও অতিপাত জাৰ, জহ আৰু ৰুক্ষ্ম বায়ুৰ চিকাৰ হৈছে, আৰু তাৰ ফলত বিভিন্ন প্ৰকাৰৰ বেমাৰ-আজাৰে তেওঁলোকক বাৰুকৈ আক্ৰমিছে, অশেষ কষ্ট অপাৰ যাতনাৰ বাট কাটি উলিয়াইছে। আৰু সৰাতোকৈ অধিক আহুকালৰ চিকাৰ হৈছে দ্ৰৌপদী। পঞ্চপতিৰ স্নেহপাত্ৰী হোৱা সত্বেও ৰোগ ব্যাধিৰ কবলত পৰি ককবকাইছে। থোৰতে, তেওঁলোকৰ — পাণ্ডৱসকলৰ কুলাই-পাচিয়ে নধৰা দুখ বৰ্ণনাতীত।”

ব্ৰাহ্মণৰ কথা স্থিৰভাৱে শ্ৰৱণৰ অন্তত দীঘলকৈ হুমুনিয়াহ কাঢ়ি বৃদ্ধ অন্ধ মহাৰাজ

ASS – F-3

ধৃতৰাষ্ট্ৰই বেদনাগধুৰ কণ্ঠেৰে কৈ থাকিল : ‘হে সদ্‌ব্ৰাহ্মণ, আপোনাৰ কথাখিনি শুনি মোৰ বক্ষত শেল বিন্ধা যেন পাইছোঁ। পাণ্ডৱসকলৰ এনেহেন দুৰন্ত-দুৰ্নিবাৰ আলাই-আথানিৰ কাৰণে আন সৱাতোকৈ অধিক ময়েই দায়ী এই কথাত অনুমাত্ৰো সংশয় নাই।” তাৰ পাছত কিয়ৎক্ষণ মৌন হৈ থকাৰ অন্তত পুনৰ অৰ্ধৰুদ্ধ মাতেৰে কৈ থাকিল, “মোৰ সকলো পুত্ৰৰ মাজত ধৰ্মৰাজেই হ'ল সৰ্বোত্তম — এই কথা প্ৰশ্নবিহীনৰূপে সত্য। পুত্ৰৰ ধৰ্মৰজৰ মাজত কেনো হিংসা নাই অসূয়া নাই ঈৰ্ষা নাই ক্ৰোধ নাই, আছে অপৰিমেয় বিবেচনা-বোধ, শত্ৰু-মিত্ৰ নিৰ্বিশেষে অপৰিমেয় মৰম, আৰু অপৰিসীম ধৰ্মবোধ। পুত্ৰৰ ধৰ্মৰাজ হ'ল ইহজগতৰ আদৰ্শ পুৰুষ। অৰ্জুন ধৰ্মৰাজৰ দৰে নহ'লেও অত্যন্ত বিবেকৱান আৰু বৃহৎ হৃদয়সম্পন্ন। যদিও ভীমৰ প্ৰকৃতি-প্ৰবৃত্তি কিছু ভিন্নতৰ। ভীম মহাবলী, আৰু ক্ৰোধী। কিন্তু তথাপি ধৰ্মৰাজৰ প্ৰতিটি আদেশ নম্ৰতাৰে মান্য কৰে, কোনো প্ৰতিবাদ নকৰে। যদিও ভীমৰ খং চণ্ডালৰ খং, তথাপি সেই খং দমন কৰাৰ শক্তিও ভীমত যথেষ্টয়েই আছে। কিন্তু মোৰ আপোন পুত্ৰৰ দুৰ্যোধন হ'ল মহাদুষ্ট মহাধূৰ্ত প্ৰকৃতিৰ। আৰু আয়ুৰ লগত বায়ু সহায় হোৱাদি এই দুষ্ট দুৰ্যোধনৰ সোঁহাতৰ দৰে সহায় হৈছেহি দুষ্টৰো দুষ্ট সিয়ানৰো সিয়ান চয়তানৰ শিচ শকুনি। দুৰ্যোধন বক্ৰবুদ্ধিৰ, শকুনি আৰু দহোকাঠী চৰা। দুৰ্যোধনৰ আতি-লোভৰ লগত শকুনিৰ মন্ত্ৰণা সহায় হোৱাত পাণ্ডৱসকল এনেহেন আলৈ-বিলৈৰ মাজত সোমাই পৰিবৰ্লৈ বাধ্য হৈছে। এতিয়াও যদি দুষ্ট দুৰ্যোধনে অৰ্দ্ধৰাজ্য পাণ্ডৱসকলক দিবলৈ মান্তি হয় — হয়তো কথমপি সৰ্বৰক্ষা হ'ব পাৰে, ভয়ংকৰ বিপদ-বিপাং নহ'বও পাৰে। কিন্তু সি দুষ্ট দুৰ্যোধনে ৰাজ্যৰ সূচ্যগ্ৰও পাণ্ডৱক দিয়াত নাই। আৰু এইদৰেই সি কৃষ্ণ-সহায়ী পাণ্ডৱসকলৰ হাতত আওমৰণে মৰিব, একোপধ্যেই তাৰ সাৰণ নাই।”

মহাৰাজ ধৃতৰাষ্ট্ৰৰ মুখত হতাশাৰ আভাস ফুটি উঠিল আৰু তেওঁ নিমাত-নিস্তব্ধ হৈ বহি আকিল। [আগলৈ]

ভুকনিৰ দাম

যোৱা দুবছৰতকৈও অধিক দিন ধৰি ভৱানীপুৰ অঞ্চলক খৰে কোবাই থকাত সেই অঞ্চলৰ জমিদাৰৰ প্ৰজাহঁতে কৰ-কাটল শোধাব নোৱৰাত পৰিল। জমিদাৰৰ কৰ-উচুল কৰা কৰ্মচাৰী বামনদেৱ আছিল উদাৰচিতীয়া বিবেচক মানুহ। তেওঁ দুৰ্দশাগ্ৰস্ত ৰাইজৰপৰা কৰ আদায়ৰ বাবে কোনো জুলুম নকৰিলে আৰু এই অৱস্থাৰ কথা জমিদাৰক জনালে। কিন্তু জমিদাৰে বামনদেৱৰ কথা মানি নল'লে আৰু তেওঁ বামনদেৱক কামৰপৰা বৰ্খাস্ত কৰিলে, আৰু শেষফণি নামৰ সুদক্ষ মানুহ এজনক কৰ-আদায়কাৰীৰ কামত মকৰল কৰিলে। শেষফণি আছিল অতি উগ্ৰ প্ৰকৃতিৰ খিংখিঙীয়া মানুহ। শেষফণিয়ে জানে আৰু মানে যেনেতেনে আদায় কৰিব লাগে কৰ-কাটল, লাগে যদি দেখুৱাব বাহুৰ বল। যেৱে কৰ নিদিব, তাক মাৰি ভৈয়াম কৰিব।

ভৱানীপুৰত প্ৰতাপ নামৰ এজন যুৱক আছিল বৰ বুদ্ধিমান আৰু পৰোপকাৰী। প্ৰতাপে ৰাইজৰ দুৰৱস্থাৰ কথা আৰু লগতে শেষফণিৰ জুলুমৰ কথা জানি এদিন শেষফণিৰ কাষ চাপিল। প্ৰতাপে শেষ ফণিক ক'লে, "মালিক, বৰষুণ নিদিয়াত খেতি-বাতি নহ'ল। কিন্তু লুটিয়াৰহঁতে ৰাইজক লুট-পাত কৰি জুৰুলা কৰা হ'ল।"

লুটিয়াৰৰ কথা শুনি শেষফণি কিছু দমি গ'ল। কিন্তু সেই ভাব গুপুতে ৰাখি শেষফণিয়ে কঠোৰ কণ্ঠেৰে ক'লে, "মই কৰ উচুল কৰিবলৈহে ইয়ালৈ আহিছোঁ, বৰষুণ দিবলৈ নহয়। — যেই কি নহওক, লুটিয়াৰহঁতৰপৰা সাৰিবলৈ তোমালোকে কি উপায় কৰিছা কোৱাচোন — ?"

প্ৰতাপে ক'লে, "আমাৰ ভালজাতৰ কুকুৰবিলাকক কামত লগাইছোঁ।"

শেষফণিয়ে কঁপা কঁপা মাতেৰে সুধিলে, "সিবিলাক কুকুৰ ক'ত আছে ?"

"আছে — মোৰে ওচৰত। নতুন-অচিনাকি কাৰোবাক দেখিলেই হ'ল, তাৰ নেলু ছিঙিবই।" প্ৰতাপে ধীৰ-কণ্ঠেৰে ক'লে।

"সেই কুকুৰবিলাকৰ ভুকনিনো কেনে ?" এই বুলি কৈয়েই শেষফণিয়ে দুই-তিনিবিধ কুকুৰৰ ভুকনি প্ৰতাপক শুনাই থাকোঁতে শেষফণিৰ চাকৰটোৱে এই কাণ্ড চাই দৌৰি দৌৰি জমিদাৰৰ ওচৰ পালেগৈ। চাকৰটোৱে জমিদাৰক শেষফণিৰ ভুকনিৰ কথা কোৱাত জমিদাৰে তেন্তভঙ্ওঁৰ দেৱানক মতাই অনাই ক'লে, "শেষফণিৰ ওপৰত ভূত-প্ৰেত লম্ভিল যেন পাওঁ, তাক ওভোতাই আনক আৰু যি কৰিব লাগে কৰক।" দেৱানে ৰাইজৰ দুৰ্দশাৰ কথা আৰু শেষফণিৰ অতিপাত অত্যাচাৰৰ কথা প্ৰতাপৰ মুখে শুনি সেই অঞ্চলত বামনদেৱকে পুনৰ কামত মকৰল কৰি শেষফণিক বৰ্খাস্ত কৰিলে।

চান্দমামা ক্ৰোড়পত্ৰ-৯৯

ভাৰতৰ বৃক্ষৰাজি

কল

আম, কঁঠাল, কল এই তিনিও মুখ্য ফল বুলি কোৱা হয়। কল হ'ল বৌখাৰে গা ঢকা আৰু বৌখাৰ আগত বৰ বহল-দীঘল পাত মেলা এবিধ গছ আৰ তাৰ ফল। ইয়াৰ গছ, পাত আৰু ফলৰ ব্যৱহাৰ সকলোৱে জানে। তাৰ বাহিৰেও পকা ফল চকলিয়াই ৰ'দত শকুৱাই বহুদিনলৈ ৰাখিব পাৰি আৰু অনেক দেশত শুকান কলক গুড়ি কৰি কেকপিঠা-বিস্কিট আদি তৈয়াৰ কৰা হয়। কলৰ অনেক উপজাতি আছে। যেনে — কেতেকী-সোন্দা, গোবিন্দতুলসী, চেনি-চম্পা, জাহানী, পূৰা কল, ভীম-কল, চম্পা-আঠীয়া, দিগ-যোৱা, বগী-মনোহৰ, বৰতমণি, শিমলু-মনোহৰ, মালভোগ, হাতী-দাঁতীয়া ইত্যাদি।

কলক সংস্কৃতত 'কদলী' 'মোচা', হিন্দীত 'কেলা' 'কেলে', তামিলত 'ৰালৈ', তেলুগুত 'অৰ্‌টি চেট্টু' অসমীয়াত 'কল', বাংলাত 'কলা' আৰু ইৰাজিত Banana বা plantain, আৰু উদ্ভিদবিদ্যাত Musa sapiontum বুলি কয়।

কল হিন্দুসকলৰ পূজা-অৰ্চনাত এক অতি লাগতিয়াল পৱিত্ৰ ফল। কলক বৌদ্ধসকলেও বৰ পৱিত্ৰ বুলি মানে। আমাৰ পুৰাণৰ মতে হনুমান হিমালয়ৰ কদলীবনতে থকা-মেলা কৰিছিল।

কলৰ ফুল ফল আৰু ভিতৰত থকা শাহ সকলোটিৰ পক্ষে অতি উপাদেয় সুখাদ্য।

কেঁচা অৱস্থাত কলৰ বৰণ সেউজীয়া, পকিলে হালধীয়া বৰণ লয়। যিকোনোবিধৰ কল দীঘলীয়া হয়। দক্ষিণ ভাৰতত কলৰ পাতৰ ওপৰত ভাত খোৱা হয়, বংগতো কলৰ পাত আহাৰৰ কাঁহী হিচাপে ব্যৱহৃত হয়।

মঙ্গলকাৰ্যৰ অনুষ্ঠানত কল আৰু কলৰ পাত, আনকি বৌখাকো অতি পৱিত্ৰ বস্তু বুলি গণ্য কৰা হয়। কল-কলৰপাত আদি শুভকাৰ্যৰ পক্ষে অতি লাগতিয়াল।

কল পকিলেই কলৰ গছ কাটি পেলোৱা হয়। গছত, সেই কটা ঠাইৰপৰা পুনৰ নতুন গছ ওপজে।

ভৰদ্বাজ

দীৰ্ঘকাললৈ জীয়াই থকাৰ অন্ততো আৰু কিছুকাললৈ জীয়াই থকাৰ ইচ্ছা মনুহৰ মাজত এক সাধাৰণ কথা। কিন্তু সুদীৰ্ঘকাললৈ জীয়াই থকাৰ ইচ্ছা ন্যায়সংগত হ'ব লাগে — বিজ্ঞ মুনি-ঋষিসকলৰ এই মত। অতি উল্লেখযোগ্য সপ্ত ঋষিৰ অন্যতম ভৰদ্বাজ মুনিৰ কাহিনী এই মতৰ এক মুখ্য উদাহৰণ।

ভৰদ্বাজ হ'ল অত্ৰি মুনিৰ সুপুত্ৰ। ভৰদ্বাজ আদিকাব্য ৰামায়ণৰ ৰচয়িতা মহামুনি বাল্মীকিৰ শিষ্য আছিল। ভৰদ্বাজে বাল্মীকিৰপৰা বেদ অধ্যয়ন কৰিছিল। কিন্তু তথাপি ভৰদ্বাজৰ জ্ঞানস্পৃহাৰ নিবৃত্তি হোৱা নাছিল।

ভৰদ্বাজে ইন্দ্ৰ প্ৰমুখ দেৱতাৰ প্ৰত্যক্ষ আশীৰ্বাদ লভিছিল। এওঁ সুদীৰ্ঘ কাললৈ জীৱিত আছিল। তাৰ পাছত এসময়ত যেতিয়া তেওঁৰ জীৱনদীপ নুমাই আহিল, তেতিয়া তেওঁ আৰু কিঞ্চিতকাললৈ জীয়াই থকাৰ ইচ্ছাৰে দেৱৰাজ ইন্দ্ৰক সুঁৱৰিলে।

ইন্দ্ৰ প্ৰত্যক্ষ হ'ল, আৰু ভৰদ্বাজক তেওঁৰ সৈতে গৈ থাকিবলৈ ক'লে। গৈ গৈ কিছুদূৰ পোৱাৰ পাছত কিছু দূৰত তিনিটা পৰ্বত পৰিলক্ষিত হ'ল। ইন্দ্ৰই ভৰদ্বাজক হাতৰ তলুৱা মেলিবলৈ ক'লে আৰু ভৰদ্বাজৰ হাতৰ কোষত তিনি কোষমান পানী দিলে। ভৰদ্বাজ মৌন হৈ থাকিল।

"দূৰৰ তিনিও পৰ্বতৰ তুলনাত তিনি কোষ পানীৰ পৰিমাণ কি ?" ইন্দ্ৰই ভৰদ্বাজক সুধিলে।

"অতি অল্প। তুলনাৰ যোগ্য নহয়।" ভৰদ্বাজে ইন্দ্ৰক ক'লে।

"তোমাৰ বেদজ্ঞানো এইৰূপ। তোমাৰ জ্ঞানাৰ্জন একোষমান। তুমি যি-জ্ঞানৰ সন্ধান কৰিছা, সেই জ্ঞান — সৌ পৰ্বতৰ সমান বিস্তৃত।" ইন্দ্ৰই ক'লে।

ভৰদ্বাজে কৈ উঠিল, "জ্ঞান ইমানেই উন্নত! তেনেহ'লে সম্পূৰ্ণ জ্ঞান অৱশ্যেই প্ৰাপ্ত হ'ব লাগিব। যদি আপোনাৰ আশীৰ্বাদ পাওঁ, সৌ তিনিও পৰ্বতক জয় কৰিবলৈ প্ৰয়াস কৰিম।"

ভৰদ্বাজমুনিৰ স্থিৰ আত্মপ্ৰত্যয়যুক্ত উক্তি শুনি বিস্মিত-অভিভূত ইন্দ্ৰই জ্ঞানাৰ্জনৰ বাবে ভৰদ্বাজমুনিক আৰু এক জীৱনকাল প্ৰাপ্ত হোৱাৰ আশীৰ্বাদ প্ৰদান কৰিছিল।

জানিবলগীয়া

১. তাজমহল আগ্ৰাত অৱস্থিত। 'আগ্ৰাৱনা' শব্দৰ পৰা এই নাম। এই শব্দৰ অৰ্থ কি ?

২. ১৯৭২ চনত ভাৰতৰ জাতীয় পশু ঘোষিত হৈছিল। আগতে কোন পশু জাতীয়-পশু আছিল ?

৩. মুজিবুৰ ৰহমানক বাংলাদেশৰ জাতিৰ জনক বুলি কোৱা হয়। তেওঁৰ জীয়েক শেখ হাছিনা বৰ্তমান বাংলাদেশৰ প্ৰধানমন্ত্ৰী। ইন্দ'নেজিয়াৰ বৰ্তমান প্ৰধানমন্ত্ৰী ছুহাৰ্তোৰপৰা সুকৰ্নৰ জীয়েকে ক্ষমতা অধিকাৰ কৰিবলৈ সংগ্ৰাম কৰি আছে। তেওঁৰ নাম কি ?

৪. ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী দেৱেগৌড়া যে কৰ্ণাটকৰ মানুহ [illegible]কলোটিয়েই জানে। কিন্তু কোন জিলাৰ ?

৫. হিৰোসিমা-নাগাছাকিৰ ওপৰত অণুবম পেলোৱাত জাপানে আত্মসমৰ্পণ কৰিছিল। কিন্তু নাগাছাকিৰ পৰিৱৰ্তে কোনখন নগৰত অণুবম পেলোৱাৰ কথা পোনতে ভবা হৈছিল ?

৬. আফ্ৰিকাৰ আওৱেন জল-প্ৰপাত ক'ত অৱস্থিত ?

৭. আধুনিক অ'লিম্পিকৰ আৰম্ভণি ১৮৬৬ চনত, শপত-বাণী পাছত যুক্ত হ'ল। কেতিয়া ?

৮. ভাৰতৰ প্ৰথম এছ.টি.ডি. ৰে — কোন দুখন নগৰক যুক্ত কৰা হৈছিল ?

৯. শিশুসকলে ভাল পোৱা আৱিষ্কাৰ ইতালিৰ মাৰ্ছিয়নিয়ে কৰিছিল। সেই আৱিষ্কাৰ কি আৱিষ্কাৰ ?

১০. ১৮৯৫ চনত আমেৰিকাত আৰম্ভ হোৱা এবিধ খেলা পাছত এছিয়াত বৰকৈ বিয়পি পৰিল। সেই খেলা কি খেলা ?

১১. 'কমনওৱেলথ'ৰ পুৰণি নাম কি ?

১২. পদ্মশ্ৰী, পদ্মভূষণ, পদ্মবিভূষণ, ভাৰতৰত্ন — এই চাৰিবিধৰ উপাধি পোৱা ভাৰতীয় কোন ?

১৩. পোন প্ৰথমে কোন চনত 'প্লানিং কমিশ্বন' পতা হৈছিল ? প্ৰথমগৰাকী উপাধ্যক্ষ কোন আছিল ?

১৪. প্ৰথম টেস্ট-ছেঞ্চুৰি কৰা ভাৰতীয় গৰাকীৰ নাম কি ?

জানক

১. স্বৰ্গৰ উদ্যানবন।
২. সিংহ।
৩. মেঘাৱতী।
৪. হাছান।
৫. হিৰোসিমাৰ সমীপস্থ কোকুৰা নগৰ।
৬. ইউগাণ্ডা।
৭. ১৯২০ চনত।
৮. লখ্নৌ আৰু কানপুৰ।
৯. আইছক্ৰিমকোন।
১০. ভলিবল।
১১. বৃটিছ এম্পায়াৰ গে'মছ।
১২. সত্যজিত ৰায়।
১৩. ১৯৫০ চনত, প্ৰফেছাৰ প্ৰশান্ত মহলানবীছ।
১৪. লালা অমৰনাথ।

চান্দমামাৰ চিংফৌ নাঙল

আকাশৰপৰা মিঠাই-বৰষুণ

তাইৱানৰ ৰাজধানী তাইপে নগৰৰ আকাশত হঠাৎ এক বিচিত্ৰ শব্দ উঠোৱা হেলিকপ্তাৰক ঘূৰি ঘূৰি উৰি ফুৰা দেখি ল'ৰা-ছোৱালীহঁত দলে-দলে ঘৰৰপৰা ওলাই আহিল আৰু আকাশলৈ চাই থাকিল। দেখাত সাইলাখ 'ললিপপ' নামৰ মিঠাইৰ দৰে এইখন বঙা হেলিকপ্তাৰ যেতিয়া আকাশৰপৰা ভালেখিনিমান তললৈ নামি আহিল,

তেতিয়াহে ঠাৱৰ কৰিব পৰা হ'ল যেএইখন হেলিকপ্তাৰত কোনো পাইলট-চালকেই নাই, ৰিমোট কণ্ট্ৰ'লৰ সহায়ত আপোনা-আপুনি চলিছে, পাক খাইছে। ইমান মজাৰ মাজতো আৰু মজা আছিল এয়েহে — এইখন কপ্তাৰে ল'ৰা-ছোৱালী সাকলৰ বাবে আকাশৰপৰা আচল ললিপপ মিঠয়ো সঁতাধৰা বৰষুণৰ দৰেই বৰষুণ কৰিছিল।

পদাপলীয়া পতাকা

এইডছ নামৰ বেমাৰটো যে ভয়ানক, আৰু যে কোনো দৰব নাই — সকলোৱে জানে। এই ভয়ংকৰ বেমাৰৰ কবলৰপৰা সাৰিবলৈ মাত্ৰ এটিহে উপায় আছে — সাৱধানতা। এই বিষয়ে অৰ্থাৎ এইডছ নামৰ এই আয়ু-চাউল টুটোৱা বেমাৰটোৰ বিষয়ে সমূহ ৰাইজক সতৰ্ক কৰাটো অতি আৱশ্যকীয় কথা। টিভি, অনাতাঁৰ, বাতৰিকাকত আদিয়ে এইডছদানহৰ বিৰুদ্ধে প্ৰচাৰ কৰি আছে। কিন্তু তথাপি দিনকদিনে এইডছ বেমাৰীৰ সংখ্যা দোপে দোপে বাঢ়িছে। এই দানৱীয় বেমাৰৰ বিৰুদ্ধে যুঁজিবলৈ যোৱা পহিলা ডিছেম্বৰৰ দিনা বিশ্বব্যাপী এইডছ-দিৱস পালন কৰা হৈছিল। আমাৰ মুম্বই নামৰ নগৰখনতো সেইদিনা এইডছ-বিৰোধী দিৱস পালন কৰিছিল আৰু এই কৰ্মকাণ্ডত ১০০০০ মানুহ-মুনিহে ভাগ লৈছিল, সমদল কৰিছিল। এই সমদলত যিখন ব্যানাৰ অৰ্থাৎ পতাকা কঢ়িয়াই লৈ যোৱা হৈছিল, এইডছৰ ভয়ংকৰ বিৱৰণ-লিখিত সেই পতাকাখন আছিল চাৰে চাৰি (৪.৫০) কিল'মিটাৰ দীঘল। কোৱা হৈছে যেএই পতাকাখনেই হ'ল পৃথিৱীত প্ৰদৰ্শিত পতাকাবিলাকৰ মাজত আটাইতকৈ দীঘল পতাকা। এই বিৰাট বিশাল পতাকাত লিখিত বিৱৰণ পঢ়ি এইডছৰ বিষয়ে যে অসংখ্য নৰ-নাৰী সাৱধান হ'ল — সেই কথা দেখ দেখ।

ধনৰ গছ ছান্তাক্লজ

বেৰ্লিন (বাৰ্লিন) বিশ্ববিদ্যালয়ৰ এটি সুবৃহৎ কক্ষত এক অভিনৱ অনুষ্ঠান পতা হৈছিল। এই অনুষ্ঠানত ভাগ লোৱাসকল আছিল বিশ্ববিদ্যালয়ৰে বিদ্যাৰ্থী ; কিন্তু সকলোটিয়েই ছান্তাক্লজৰ সাজ-পাৰ পিন্ধি আহিছিল। সাইলাখ ছান্তাক্লজৰ দৰে ধকধকীয়া বগা দাড়িৰে বুঢ়াৰ ভেশ লৈছিল। দিক এওঁলোকে এই ভেশ লৈছিল জানেনে ? বৰদিন উপলক্ষ্যে ছান্তাক্লজৰ (ছেইন্ট নিকোলাছ) ৰূপ

লওঁতাক ইউৰোপৰ কিছুমান সম্থাই পুৰস্কাৰ-উপহাৰ দিয়ে। আৰু সেইহে ভালেমান যুৱাই এই ছেগতে জেপ-খৰচ উলিয়াবলৈ এদিনৰ বাবে ধনৰগছ ছান্তাক্লজৰ ৰূপ লয়।

শেষ ইচ্ছা

বিবেকদত্তৰ তিনিজন ল'ৰা আৰু এজনী ছোৱালী আছিল। ছোৱালীৰ নাম সত্যৱতী। সত্যৱতীৰ তিনি বছৰীয়াতে মাক ঢুকাইছিল আৰু তেতিয়াৰপৰা বেহা-বেপাৰ এৰি বিবেকে ল'ৰা-ছোৱালীবিলাকক ডাঙৰ-দীঘল কৰিছিল।

বিবেকদত্ত আছিল জহৰী, হীৰা-জহৰত মণি-মুকুতাৰ বেপাৰী। ল'ৰা-ছোৱালীহঁত কিছু ডাঙৰ হোৱাৰ পাছত বিবেকদত্তই উপলব্ধি কৰিলে যে বেপাৰ বন্ধ কৰি বহি বহি খাই থকাৰ ফলত তেওঁ একেবাৰে দুখীয়াৰ শাৰীলৈ নামিবৰ হৈছে। এতেকেতেওঁ পুনৰ বেহা-বেপাৰত ওলাবলৈ দিহা ল'লে।

তেতিয়া আছিল গোদাৱৰী-পুষ্কৰ উছৱৰ দিন। বেহাবেপাৰলৈ ওলোৱাৰ আগতে পুষ্কৰলৈ গৈ পূজা আগ কৰিবলৈ ছোৱালী সত্যৱতীক লগত লৈ তেওঁ পুষ্কৰলৈ গ'ল। কিন্তু উভতি আহি ঘৰ পায়েই সত্যৱতীৰ নাম কাঢ়ি কাঢ়ি হুৰাওৱাৰে কান্দি থাকিল। সত্যৱতী পুষ্কৰৰ সৰোবৰত গা-ধুবলৈ নামি মৰিল।

এই ঘটনাৰ কিছুদিনৰ অন্তত ল'ৰা তিনিওকো ঘৰৰ চাকৰ-চাকৰণীহঁতৰ হাতত গটাই দি জাহাজত উঠি বিবেকদত্ত পুনৰ বেপাৰ-বণিজলৈ বুলি ওলাই পৰিল।

তাৰ পাছতকেইবছৰমানৰ অন্তত তেওঁ এবাৰ ঘৰলৈ আহিল। কেইদিনমানৰ পাছত বিবেকদত্তই তেওঁৰ তিনিও ল'ৰাক গোট খুৱাই লৈ সিহঁতক ক'লে, "বোপাহঁত, মই সাগৰৰ বুকুৰেদি অ'লৈ-ত'লৈ দুৰ-দুৰণিলৈ গৈ বেহা-বেপাৰ কৰোঁ, মোৰ মৃত্যুও জানোচা সাগৰতে হয়। কথা যদি তেনেকুৱাই হয়, তোমালোকে কাম এটা কৰিবা। আমাৰ ওপৰ মহলাৰ উত্তৰ দিশীয়া কোঠাটোত এটা আওপুৰণি কাঠৰ পেৰা দেখা পাবা। সেই কাঠৰ পেৰাটো খুলি চাবা! কিন্তু মনত ৰাখিবা, মোৰ মৃত্যু-সম্বাদ পোৱাৰ আগতে পেৰাটো

কোনো কাৰণতে খুলি নাচাবা। মৃত্যুৰ আগতে সেয়ে হ'ব মোৰ শেষ ইচ্ছা এই কথাটো তোমালোকে ধুৰুপকৈ জানিবা।" এই বুলি কৈ, বিবেকদত্তই ল'ৰাহঁতৰ হাতত উত্তৰ-দিশীয়া কোঠাটোৰ তলাৰ চাবি গটাই দিলে। কেইদিনমানৰ অন্তত বিবেকদত্তই পুনৰ জাহাজত উঠি বণিজলৈ যাত্ৰা কৰিলে। কিন্তু কিছুদিন ধৰি সাগৰৰ বুকুৰেদি নিৰ্বিঘিনিৰে গৈ থকাৰ অন্তত এদিন জাহাজখন ধুৰ্মাজয় ধুমুহাৰ কবলত পৰি সকলো যাত্ৰী-নাৱিকৰে সৈতে ডুবি গ'ল। মাত্ৰ দুজন অসীম সাহিয়াল নাৱিকে জাহাজৰ ভগা কাঠ দুচটাত ধৰি কেইবাদিনো ধৰি সাগৰত উটি-ভাঁহি-সাঁতুৰি সাঁতুৰি কথমপি মৰণৰ হাত সাৰি পাৰ পাইছিল, আৰু সেই নাৱিক দুজনেই জাহাজ ডুবি যোৱাৰ এই শোক-গধুৰ দুঃসম্বাদ কঢ়িয়াই আনিছিল।

ল'ৰাহঁতে দুখৰ উৱাই ৰাতিবোৰ পুৱাই পাৰ হৈ এদিন অৱশেষত সেই উত্তৰদিশীয়া কোঠাটোৰ দুৱাৰ খুলিলেগৈ।

আৰু তাৰ পাছত অতি হেঁপাহৰে খুলিলে সেই কাঠৰ পেৰাটো।

কিন্তু কাঠৰ পেৰাটো আছিল একেবাৰে উদং ! মাত্ৰ সৰু এখিলা কাগজ পেৰাটোৰ ভিতৰত পৰি আছিল।

সিহঁতে কাগজখিলা খুলি চালে। কাগজখিলাত লিখা আছিল :

"মধুপুৰ গাঁৱত মোৰ বাল্যবন্ধু বিনয় সদাগৰৰ ঘৰ। তেওঁৰ তিনিজনী ছোৱালী আছে। সেই তিনিজনীক তোমালোকে নিজৰ নিজৰ পইচা-পাতি খৰচ কৰি বিবাহ কৰাবা। এয়ে হ'ল মোৰ শেষ ইচ্ছা।'

এইখন পঢ়ি দেউতাকৰ প্ৰতি ডাঙৰ ল'ৰাটোৰ উগ্ৰ খং উঠিল। সি কৈ থাকিল, "এই মানুহজনক প্ৰকৃততেই দেউতা বুলিব পাৰিনে ? এটশা পাই-পইচাও আমাক নিদিয়াকৈ গ'লগৈ। তদুপৰি, নিজৰ নিজৰ পইচাৰে আমাক বিয়া কৰাবলৈ উপদেশ দি থৈ গ'ল। ছে: !" এই বুলি মন্তব্য কৰিয়েই সি তৎক্ষণাৎ ঘৰ এৰি ওলাই গুচি গ'ল।

তেতিয়া সৰু ভায়েকজনে মাজুজনক ক'লে, "ককাইদেউ গ'লগৈ, কৰিবলগা একো নাই। আমি এতিয়া আমাৰ এই মাটি-ভেটি বেচি যি পাওঁ—তাৰেদেউতাৰ শেষ ইচ্ছালৈ সন্মান জনাই বিয়া কৰাব লাগিব। তাৰ পাছত — বিয়াৰ পাছত — ক'ৰবাত কিবা কাম লৈ দহটকীয়া হ'ব লাগিব।"

মাজুৱে সৰুৰ কথাত মূৰ কাতি কৰি দিলে।

তাৰ পাছত আঁচনিমতেই সিহঁতে মাটি-ভেটি বেচি যিখিনি ধন পালে, সেইখিনি টোপোলা এটাত বান্ধি লৈ মধুপুৰলৈ বুলি

খোজ ল'লে। সাঁজ লাগি ভগাৰ আগে আগে সিহঁত দুয়ো কুলকুলি নামৰ সৰু গাঁও এখন পালেগৈ। তাত তেতিয়া গাঁওবুঢ়াৰ ঘৰৰ চোতালত কিবা কথাৰ মীমাংসৰ কাৰণে পঞ্চায়তৰ মেল চলি আছিল। দুজন ডেকা আৰু এগৰাকী বুঢ়ী তাত থিয় হৈ আছিল।

সৰু-মাজুৰে সমজুৱাহঁতৰ এজনক সুধিলে যে ইয়াত কি হৈছে। মানুহজনে ক'লে, "এই ডেকা দুটা হ'ল বুঢ়ী মানুহজনীৰ ল'ৰা। বুঢ়ীৰ ডে'কে'ৰী ছোৱালী এজনীও আছে। যেতিয়া সিহঁতৰ পিতৃ জীয়াই আছিল, আটাইবোৰেই একেলগেই আছিল। কিন্তু পিতৃ ঢুকোৱাৰ লগে লগে ল'ৰা দুটাই সা-সম্পত্তি ভাগ কৰি লৈ বেলেগ হৈ গ'ল। কিন্তু বুঢ়ীৰ কথা হ'ল যে ল'ৰা দুটাই সিহঁতৰ পিতৃক কথা দিয়া মতে ভনীয়েকক বিয়া নিদিয়াতেওঁ বিলৈৰো বিলৈত পৰিল। এই কথাৰ বিচাৰৰ বাবে হে পঞ্চায়ত চলিছে ইয়াত।"

এইখিনি শুনাৰ অন্তত মাজু চিন্তাত পৰিল। বহু ভাবি-গুণি শেহলৈ মাজুৱে ৰাতিৰ পৰতে খাটাং কৰিলে যেদেউতাকৰ শেষ ইচ্ছা ধোঁৱাচাঙত তুলি থৈ, গৰুটো সৰুৱে টোপনিত লাল-কাল দিয়াৰ পাছত ধনৰ টোপোলাটি লৈ, বুঢ়ীৰ ছোৱালীজনীকে ৰাতিৰ পৰতেই বিয়া কৰাই সি গুচি যাবগৈ।

এইখিনিতে কোৱা যুগুত হ'ব যে সৰু আৰু মাজুৱে সেই ৰাতি গাঁওবুঢ়াহঁতৰ সন্মতিক্ৰমে বুঢ়ীৰ ঘৰৰ কাষতীয়া ঘৰ এটাত খপি আছিল। ৰাতি পুৱাল, সৰুৱে সাৰ পালে, আৰু ধনৰ টোপোলাটো ক'তো-কেনিও দেখা

নাপাই, আৰু কালিৰ কান্দুৰী আজি আলুলৈকে মেলি হাঁহি থকা বুঢ়ীক দেখা পাই সকলো ফটফটীয়াকৈ বুজি পালে। বুজি পালে যে—মাজুৱে বুঢ়ীৰ ছোৱালীজনীক গান্ধৰ্বমতে বিয়া কৰাই, ধনৰ টোপোলাটি লৈ, ক'ৰবালৈ বুলি বেঙা মেলিলে।

তেতিয়া সৰুৱে আৰু কৰিব কি? ভাবি ভাবি বলিয়া হোৱাতকৈ যে মধুপুৰলৈ যোৱাহে ভাল হ'ব—সেইটি কথা বুজিবলৈ তাৰ সৰহপৰ নালাগিল।

দুই দিন-দুই নিশা বাটকুৰি বাই গৈ গৈঅৱশেষত সি মধুপুৰ পালেগৈ। বিনয় সদাগৰৰ ঘৰটো বিচাৰি উলিউৱাত টান নাপালে। কিন্তু সি তৱধ মানি সেই প্ৰকাণ্ড পকী ঘৰটোলৈ চালে। ঘৰটো আছিল কিতাপত পঢ়া

ৰজাৰ কাৰেংহেন বিৰাট চাৰি-মহলা ঘৰ। সি অধিক আচৰিত হৈ ভাবি থাকিল : এনেহেন প্ৰায়-ৰজাৰ জী আইদেউক কিয়নো আমাৰ দৰে সদায় নাইত হাত দি থকা নান্নং নবস্ত্ৰংহঁতৰ সৈতে টিকে-চুলিয়ে লগ লগাব ?

যি কি নহওক ঘৰৰ দুৱাৰৰ কেৰেয়াত ধৰি খটখটিউৱাত গিৰিহঁতে দুৱাৰ খুলিলে আৰু সুধিলে যে কাক লাগে।

সৰুৱে ক'লে, "মই স্বৰ্গী বিবেকদত্তৰ তৃতীয় ল'ৰা। আমাৰ দেউতাৰ শেষ ইচ্ছা মতে মই আপোনাৰ ঘৰলৈ আহিলোঁ।"

বিনয় সদাগৰে বৰ মৰমৰে বন্ধু বিবেকদত্তৰ সৰু ল'ৰাটোক ঘৰৰ ভিতৰলৈ লৈ গ'ল আৰু তাত আথে-বেথে বহুৱাই জা-জলপান খুৱাই জিৰণি ল'বলৈ কোৱা হ'ল।

আবেলি পৰতে বিনয় সদাগৰে সৰুক ক'লে, "তোমাৰ দেউতাৰাই তোমালোকক কিমান যে মৰম কৰিছিল তাৰ তুলনা জগতত বৰ বেছি পাবলৈ নাই। তেওঁ নিজে সদায় দেশে দেশে বিপদ-বিঘিনি মূৰত লৈ ঘূৰি ফুৰিবলগা হোৱাতমালোকৰ কাৰণে প্ৰচুৰ ধন-সোণ মোৰ হাতত দি থৈ গ'ল। আনকি তোমালোকৰ সোই অতিকৈ মৰমৰ ভনীজনী সত্যৱতীকো মোৰে হাতত গটাই দি গ'ল তাইৰ ভাল-কুশলৰ কথা চিন্তি, কিয়নো তোমালোকৰ প্ৰকৃত চাওঁতা-চিতোঁতা কোনো নাছিল। তেওঁ কৈ গৈছিল 'মোৰ মৃত্যুৰ পাছত যদি তিনিওজন ল'ৰায়েই মোৰ শেষ ইচ্ছা মানি লৈ আহে, মোৰ সা-সম্পত্তি ধন-সোণ তিনিও ল'ৰা আৰু সত্যৱতীৰ মাজত ভগাই দিবা। যদি কোনো এজন ল'ৰাও তোমাৰ ওচৰলৈ নহা হয়, সকলো সম্পত্তি ধন-সোণ সত্যৱতীকেই দিবা, আৰু তাইৰ যোৱাও পাতি দিবা'। কিন্তু তোমাৰ ককায়েৰহঁত নাহিল। এতিয়া তোমাৰ দেউতাৰাৰ সা-সম্পত্তিত ধন-সোণ তোমাৰ আৰু সত্যবতীৰ অধিকাৰ। তুমি আছিলা, এতিয়া মই সত্যৱতীৰো বিয়া পাতিম, আৰু তোমাৰ যদি আপত্তি নাই আমাৰ সাতৰি সোণজনীকো তোমাকেই দিম।"

বিনয় সদাগৰৰ কথাখিনি শুনি সৰুৱে সপোন দেখা যেন পাই স্বপ্নাচ্ছন্নৰ দৰে বিনয় সদাগৰলৈ প্ৰণাম জনালে, আৰু সেই মুহূৰ্তে সত্যৱতীয়ে তাইৰ ভায়েকক বুকুত আঁকোৱালি লৈ আনন্দৰ চকুলো বোৱাবলৈ ধৰিলে।



সন্ধিৰ বাঁহ

ভৱানীনগৰত সুজয়বৰ্মা নামৰ এগৰাকী ধনত শিতান দি থকা ধনিক আছিল। তেওঁৰ আছিল তিনিজন পো। অজয়, বিজয়, আৰু জয়। তিনিও কি দেখন-দৰ্পণে, কি আচাৰ-আচৰণে, বিদ্যাই-বুদ্ধিয়ে—একেই প্ৰায়।

সঁচা ক'বলৈ হ'লে তিনিও ভাই-ককায়েই শিষ্ট, বিনম্ৰ, আৰু মিঠা স্বভাৱৰ। এই তিনিওৰ মাজত কোনো খিয়লা-খিয়লিৰ আভাসো নাছিল, দন্দ-বান্দৰো প্ৰশ্ন নাছিল। কিন্তুমাত্ৰ এটা কথাত তিনিওজনৰ মাজত ৰহস্য আছিল এয়ে যে — সিহঁত তিনিওজনেই ভৱানীনগৰৰ ৰাজকুঁৱৰী চন্দ্ৰমাক পত্নীৰূপে পাবলৈ হাবিলাস কৰিছিল। কিন্তু সেই বুলি এই কথাত সিহঁতৰ মাজত কোনো আঁৰিয়া-আঁৰি নাছিল, বা এই বিষয়ে পৰস্পৰৰ মাজত ছেগা-চোৰোকাকৈয়ো বা ভুলে-পাহৰণেও কোনোদিনেই বাচ্যা-বাচ্যিও হোৱা নাছিল। আৰু এইদৰে, তিনিওজনেই ৰাজকুঁৱৰী চন্দ্ৰমাৰ চিত্ৰ বুকুৰ ভিতৰত সুমুৱাই লৈ দিনবোৰ-ৰাতিবোৰ পাৰ কৰি আছিল।

এদিন সিহঁতৰ দেউতাকে সিহঁতক ক'লে, "বোপাহঁত, মই বুঢ়া হ'লোঁ। মোৰ সাঁচনৰ ধনেৰে তোমালোকে আয়মেৰেই কাল কটাব পাৰিবা। কিন্তু সেয়া হ'ব বৰ লাজৰ কথা। মতা মানুহে আয়-উপাৰ্জন কৰি নিজক প্ৰতিষ্ঠিত কৰি বিভা কৰাই সংসাৰ-ধৰ্ম পালন কৰিব লাগে।"

ল'ৰাহঁতো দেউতাকৰ কথাত একমত হ'ল। প্ৰকৃতাৰ্থক দেউতাকৰ মুখৰ ওপৰত মাত মাতিবৰ কথা সিহঁতে কল্পনাও কৰিব পৰা নাছিল, তেনেকুৱা কুশিক্ষা সিহঁতৰ মাজত সমূলি নাছিল।

দেউতাকৰ পৰামৰ্শত সামান্যমান মূলধন লৈ এদিন ভাল দিন বাৰ চাই তিনিও দহটকীয়া হ'বলৈ ওলাল। গৈ গৈ সিহঁতে মহাবট নামৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

এক মেলাৰ দৰে হাট পালেগৈ।

তিনিও হাটৰপৰা নিজ-নিজ মনে-খোৱা বস্তু-বাহানি কিনিলে, আৰু পাছদিনা ৰাতিপুৱাতে তিনিও তিনি ফাললৈ খোজ বঢ়ালে। খোজ লোৱাৰ আগতে ঠিক এবছৰৰ অন্তত আজিৰ এই শিৱৰাত্ৰিৰ উছৱৰ দিনা তিনিও পুনৰ লগ লাগিবহি বুলি একেবাৰে খাটাংকৈ থিৰাং কৰিছিল।

দিন গ'ল, মাহ গ'ল, বছৰেও বাগৰ সলাবৰ হ'ল, আৰু সেই শিৱৰাত্ৰিৰ উছৱৰ দিনটোও আহি পৰিল। কেইবাদিনো আগৰেপৰাই মহাবটৰ হাট আৰম্ভ হৈছিল, আৰু সেইদিনাই জয় হাটলৈ আহিল।

যোৱা এবছৰত জয়ে বেহা-বেপাৰ কৰি ওনা-ওনে ধন আৰ্জিছিল। হাটত বিধোবিধ সাধাৰণ বস্তু-বাহানি কিনা-বেচাৰ উপৰিও নানান বিস্ময়কৰ বস্তুবো কিনা-বেচা চলি আছিল। জয়ে এক অসাধাৰণ বস্তুৰ কথা শুনি এঠাইত ৰৈ দিলে, বস্তুটো আছিল যিকোনো মৰিবলৈ ওলোৱাক যমৰ টেকেলাৰপৰা ওভোতাই আনিবৰ বস্তু। দেখাত কিঞ্চিত আচৰিতবিধৰ অতি সৰু এই নেমুটেঙা। এই টেঙাটোৰ ৰস চেপি উলিয়াই মৃত্যুমুখীৰ মুখত দিলেই হেনো সেই মৃত্যুমুখী তৎক্ষণাৎ ভাল হৈ উঠিব।

জয়ে এই আচৰিত জাদু নেমুটেঙাটো কিনি তৎক্ষণাৎ এহেজাৰ ইকাৰেই ল'লে।

সেইদিনাই, দুপৰীয়াৰ পৰতে বিজয়ো আহিল। বিজয়েও তাৰ দেউতাকে দিয়া সামান্য মূলধনেৰে এবছৰ ধৰি বেহাবেপাৰ কৰি সেনীয়েদী সিঁচিছিল। বিজয়ে তেতিয়ালৈকো অজয়ক বা জয়কো বিচাৰি পোৱা নাছিল। সি হাটত ঘূৰি ঘূৰি এঠাইত এখন অলৌকিক শক্তিসম্পন্ন দলিচা বিক্ৰি হ'ব বুলি শুনি দুহেজাৰ মুদ্ৰাৰে দলিচাখন কিনি ল'লে। এই দলিচাত বহি নিমিষতে আকাশীপথেদি য'লৈকে মন যায় যাব পাৰি।

তাৰ পাছত অজয়ো কথা মতে মহাবটৰ হাটলৈ আহিল। অজয়ে ইমানেই ধন আৰ্জিছিল যে — সিমানখিনি ধন কঢ়িয়াই আনোতে তাৰ ভাগৰ লাগি গৈছিল। জয় বা বিজয়ক হাটত দেখা নাপাই অজয়ে হাটত বিকা বিস্ময়কৰ বস্তুবোৰ চাই চাই ঘূৰি ফুৰিবলৈ ধৰিলে। ভালেমান বিস্ময়কৰ বস্তুৰেই তাৰ পচন্দ হ'ল, কিন্তু শেহলৈ এখন সামান্য দাপোণ কিনিবৰ মন গ'ল তাৰ।

দাপোণখনৰ দাম সোধাত দোকানীয়ে তিনি হেজাৰ মুদ্ৰা দিব লাগিব বুলি ক'লে।

"এখন দাপোণৰ দাম তিনি হেজাৰ মুদ্ৰা ! এই দাপোণৰ বিশেষত্বনো কি ?" অজয়ে দোকানীক সুধিলে।

দোকানীয়ে ক'লে, "এইখন দাপোণ কেৱল নিজৰ মুখদেখা দাপোণ নহয়। এই দাপোণত যাকেই দেখিবলৈ মন যায় — যিমান দূৰতে নাথাকক — তাকেই দেখা পোৱা যাব।"

অজয়ে পৰীক্ষাৰ মনেৰে ৰাজকুঁৱৰী চন্দ্ৰমাক সুঁৱৰিলে আৰু লগে লগে সেই দাপোণখনৰ মাজত টান বেমাৰত পৰি ককবকাই থকা ৰাজকুঁৱৰীক দেখা পালে।

তিনি হেজাৰ মুদ্ৰাৰে দাপোণখন কিনি লৈ অজয়ে বলিয়াৰ দৰে লৰা-ধপৰা কৰিবলৈ ধৰিলে। কিন্তু ৰাজকুঁৱৰী ৰাজধানীৰ ৰাজপ্ৰাসাদত আৰু সি মহাবটৰ হাটত ! ৰাজপ্ৰাসাদ ইয়াৰপৰা কমেও এদিনৰ বাট। তিমানতে ৰাজকুঁৱৰী চন্দ্ৰমা আৰু নিশ্চয় জীয়াই নাথাকিব।

এই সময়ত বিজয়ে ককায়েক অজয়ক দেখা পাই মাতিলে আৰু অজয়ে তাক ৰাজকুঁৱৰী চন্দ্ৰমাৰ কথা কোৱাত বিজয়ে ক'লে, "ককাইদেউ, থিৰ হোৱাঁ।" এই বুলি কৈ বিজয়ে তাৰ মোনাত থকা দলিচাখন উলিয়াই আনি ক'লে যে এই দলিচাত বহি এদিনৰ বাট এৰিণ্ডৰ বাট যোৱাদিয়েই যাব পাৰি।

ইতিমধ্যে জয়ও তালৈ আহি পাইছিলহি। তিনিও সেই জাদু-দলিচাত উঠি আকাশপথেদি উৰি উৰি গৈ থাকিল, আৰু চাওঁতে চাওঁতে ৰাজপ্ৰাসাদৰ বিৰাট পদুলিত তিনিও একেলগে নামিলগৈ।

মহাৰাজৰ অনুমতিলৈ ৰৈ নাথাকি সিহঁত তিনিও পোনে পোনেই অন্তেষপুৰলৈ সোমাই গ'ল, আৰু ঠিক তেতিয়াই মৰিবলৈ ধৰা



ৰাজকুঁৱৰী চন্দ্ৰমাৰ মুখৰ ভিতৰলৈ জয়ে সেই জাদু-নেমুটেঙাৰ ৰস চেপি দি থাকিল।

নিমিষতে মৃত্যুমুখী ৰাজকুঁৱৰী পৰিপূৰ্ণ সুস্থ হৈ উঠি বহিল আৰু এই অভাৱিত দৃশ্যলৈ চাই তাত থকা সকলোটিৰ দুচকুৰপৰা দুগাল তিয়াই আনন্দ-লোতক বৈ থাকিল।

মহাৰাজে অজয়, বিজয়, আৰু জয়ক ক'লেহি, "তোমালোক নিশ্চয় মানুহৰ ভেশছন লোৱা দেৱতা। তোমালোকলৈ কেৱল সাধাৰণ কৃতজ্ঞতা প্ৰকাশ কৰি তোমালোকক ক্ষুদ্ৰ নকৰোঁ।"

কিন্তু এই মহা আনন্দৰ মাজতো এক সুগভীৰ সমস্যাৰ সৃষ্টি হ'ল।

মহাৰাজে বহু আগতেই ৰাজকীয় ঘোষণা কৰিছিল যে ৰাজকুঁৱৰীক যিজনে মৃত্যু-মুখৰপৰা ওভোতাই আনিব পাৰিব সেইজনৰ সৈতেই বিনাপ্ৰশ্নে ৰাজকুঁৱৰীৰ বিবাহ পাতিব। এতিয়া সমস্যা হ'ল কিন্তু—এই যে তিনিও জনৰ মাজত কাকনো বাছি উলিয়াব তেওঁ? কেনেকৈনো বাছি উলিয়াব?

এই বিষয়ে দিহা দিবলৈ মহাৰাজে তেওঁৰ মহামন্ত্ৰীক মতাই অনালে আৰু অজয়, বিজয়, আৰু জয়ৰ মাজত যোগ্যতম জনক বাছি উলিয়াবৰ দায়িত্ব দিলে।

মহামন্ত্ৰীয়ে অজয়, বিজয় আৰু জয়ৰ সৈতে বেলেগ বেলেগভাৱে কথা পাতিলে। কিন্তু তথাপি তেৰোঁ এই বিষয়ে খাটাংকৈ একো স্থিৰ কৰিব নোৱাৰিলে।

তেতিয়া মহামন্ত্ৰীয়ে এই বিষয়ত যুক্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ ৰাজসভাৰ বছা বছা পণ্ডিতসকলক দায়িত্ব অৰ্পিলে। কিন্তু পণ্ডিতসকলেও এই কথাত বিভ্ৰান্ত হ'ল যে এই তিনিওজনৰ মাজত কোনজনে প্ৰকৃতপক্ষে ৰাজকুঁৱৰীক মৃত্যুৰ কবলৰপৰা উদ্ধাৰিলে। কিয়নো অজয়ে দাপোণত মৃত্যুমুখী ৰাজকুঁৱৰী চন্দ্ৰমাক নেদেখাহেঁতেন ৰাজকুঁৱৰীৰ অসুস্থতাৰ কথা জানিব নোৱাৰিলেহেঁতেন। বিজয়ৰ জাদু-দলিচাৰে উৰি আহিব নোৱৰাহেঁতেন ৰাজকুঁৱৰীক একোপধ্যেই ৰক্ষা কৰিব পৰা নগ'লহেঁতেন। আৰু জয়ৰ জাদুটেঙা নথকাহেঁতেন দাপোণত চাই উৰি আহিও কোনো লাভেই নহ'লহেঁতেন।

এই জটিলৰো জটিল সমস্যাৰ সমিধান যেতিয়া কোনেও দিব নোৱৰা হ'ল, তেতিয়া ৰাজকুঁৱৰী চন্দ্ৰমাই সভাস্থ পণ্ডিতবৰ্গলৈ চাই থিয় হৈ ক'লে, "মোৰ ধাৰণা হৈছে যে

আপোনালোকৰ নিৰ্দ্ধাৰণ-পদ্ধতি সঠিক নহয়। আপোনালোকৰ বক্তব্য হ'ল যে তিনিজনৰ মাজত কোনজনৰদ্বাৰা মই পুনৰ্জীৱন লভিলোঁ। মই এই কথা মানি লৈছোঁ যে মোৰ পুনৰ্জীৱন দানত তিনিওজনৰেই বৰঙনি একেই সমান। কিন্তু—কিন্তু এক বিশেষ বিষয়লৈ আপোনালোকে মনেই কৰা নাই। এই কথাময়ো মানি লৈছোঁ যে অজয়ৰ দৰ্পণে, বিজয়ৰ দলিচাই আৰু জয়ৰ নেমুটেঙাই মিলি মোক পুনৰ্জীৱন দান কৰিছিল। এতিয়া প্ৰশ্ন হ'ল যে—এই তিনিজনৰ কোনেনো আটাইতকৈ অধিক ত্যাগ কৰিলে ? এই কথাটোলৈ আপোনালোকে ভাবি চোৱা নাই যে অজয়ৰ ওচৰত তেওঁৰ দৰ্পণ সুৰক্ষিত আছে, বিজয়ৰ দলিচাও বিজয়ৰ ওচৰত আছে, কিন্তু জয়ৰ ওচৰতে থকা সেই জাদু-টেঙাৰ একবিন্দু ৰসও আৰু অৱশিষ্ট নাই। জয় এতিয়া সাধাৰণ মানুহ হৈ পৰিল, কিয়নো জয়ৰ জাদু-টেঙাৰ আটাইখিনি মই ললোঁ। অজয়ে এতিয়াও জাদু-দাপোণেৰে যিকোনো ঘটনা-দুৰ্ঘটনা প্ৰত্যক্ষ কৰিব পাৰিব, বিজয়ে য'লৈকে মন যায় মুহূৰ্ততে উৰি যাব পাৰিব ; কিন্তু জয়ে আন কাকো কেতিয়াও আৰু জীয়াই তুলিব নোৱাৰিব। এতিয়া আপোনালোকেই স্থিৰ কৰক যে মোক বিবাহ, কৰাৰ যোগ্যতা কাৰ আছে। সন্ধিৰ বাঁহ কেৱল বুদ্ধিৰেই নহয়, যুক্তিৰেও কাটিব পাৰি।"

ৰাজকুঁৱৰী চন্দ্ৰমাৰ বুদ্ধিমত্তা তথা যুক্তিৱত্তাৰ শলাগ সকলোটিয়েই ল'লে আৰু এই অকাট্য যুক্তিৰ পোহৰত সকলো কথা ফটফটীয়াকৈ চাই-চিঁতি জয়ৰ সৈতে ৰাজকুঁৱৰী চন্দ্ৰমাৰ বিবাহ স্থিৰ কৰিলে।

কেইদিনমানৰ পাছত কটকীক পঠিয়াই অজয়, বিজয়, জয়ৰ পিতৃকো ৰাজভৱনলৈ সসম্মানকেৰ লৈ অহা হ'ল, আৰু ৰাইজৰ অপাৰ আনন্দৰ মাজেদি জয়ৰ সৈতে ৰাজকুঁৱৰী চন্দ্ৰমাৰ বিবাহ ধুমধামৰে আৰু যথোচিত মৰ্য্যাদাৰে সুসম্পন্ন হ'ল।

মহাৰাজে অজয় আৰু বিজয়কো যথোচিতভাৱে ৰাজপ্ৰাসাদতে ৰাখিছিল আৰ কিছুদিনৰ অন্তত যথাক্ৰমে মহামন্ত্ৰীৰ জীয়েক আৰু সেনাপতিৰ জীয়েকৰ সৈতে দুয়োৰো যোৰা পাতি দিছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ মে' সংখ্যাত ওলাব

S.G. SESHAGIRI

MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দত হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : **CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600026.

১৯৯৭ চনৰ জানুৱাৰি সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো	: ডাব-কটা দহটকীয়া
দ্বিতীয় ফোটো	: মইনাক লাগে ডাল-কোবোৱা
পাওঁতা	: সংগীতা গোস্বামী, পাটাসত্ৰ, পাটাছাৰকুছি, বৰপেটা-৭৮১৩২৬

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, CHENNAI-600026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.